Content includes AI-generated material

ফিৎৰাৰ পৰিমাণ ৮৬ টকাকৈ নিৰ্ধাৰণ



বিতং বাতৰি ৮ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 10, 2025 ■ সোমবাৰ, ২৬ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৩ Guwahati, Assam ।। মূল্যঃ এটকা

## অঘটন! মুম্বাইত ৪ শ্ৰমিকৰ শ্বাসৰুদ্ধ মৃত্যু

**মুম্বাই, ৯ মাৰ্চঃ** মুম্বাইত নিৰ্মাণৰত এটা অট্টালিকাৰ পানীৰ টেংকি চাফা কৰি থকা শেষাংশ ৯ পৃষ্ঠাত



পুনৰ অগ্নিগৰ্ভা মণিপুৰ, দেওবাৰে

## মণিপুৰ উত্তপ্ত, আৰক্ষীৰ গুলীয়ে বুকু ভেদিলে প্ৰতিবাদীৰ

**ইম্ফল, ৯ মাৰ্চঃ** আকৌ জ্বলিছে মণিপুৰ। ৰাষ্ট্ৰপতিৰ শাসন বাহাল থকা উত্তৰ-পূৰ্বৰ ৰাজ্যখনৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে জাৰি কৰা শেহতীয়াক এক নিৰ্দেশনাৰ পিছতে শেষাংশ ৫ পৃষ্ঠাত

## শৈশৱৰ কাঁচিয়লি ৰ'দ

■ ড০ দয়ানন্দ শ্বাহ




ন-শৰ্কৰী

**সূৰুযৰ ৰঙা** আঙুলিয়ে গাঁৱৰ পূব আকাশত সেন্দূৰৰ ফোঁট এটা আঁকি দিয়াৰ সময়তে হাঁহি আৰু মাতেৰে শেষাংশ ৬ পৃষ্ঠাত

অন্ত পৰিল ১২ বছৰীয়া প্ৰতীক্ষাৰ

## টিম ইণ্ডিয়াৰ দখলত চেম্পিয়নছ ট্ৰফীৰ খিতাপ

**ডুবাই, ৯ মাৰ্চঃ** দেওবাৰে ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ইতিহাস সৃষ্টি কৰিলে ভাৰতে। টিম ইণ্ডিয়াই নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি শেষাংশ ৫ পৃষ্ঠাত



চৰকাৰী বাহিনী-বাছাৰ সমৰ্থকৰ ৰক্তাক্ত সংঘাত

# ছিৰিয়াৰ গৃহযুদ্ধই কঁপাইছে সমগ্ৰ পৃথিৱী

## শিশু, মহিলাসহ মৃত্যু সহস্ৰজনৰ



**দামাস্কাছ, ৯ মাৰ্চঃ** ছিৰিয়াৰ পৰা পুনৰ পোহৰলৈ আহিছে ভয়ংকৰ হিংসাৰ ৰক্তাক্ত দৃশ্য। গাদীচ্যুত ৰাষ্ট্ৰপতি বাছাৰ আল আছাদৰ সমৰ্থক আৰু ৭ পৃষ্ঠাত চাওক



বিজয়ৰ আলিংগন! জয়ৰ পিছত কে এল ৰাহুল আৰু ৰবীন্দ্ৰ জাদেজা

## অসমলৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ


**ই-সংবাদ, ৯ মাৰ্চঃ** ১৪ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শেষাংশ ৪ পৃষ্ঠাত

## ধুবুৰী মেডিকেল কলেজৰ সাফল্য

**ই-সংবাদ, ৯ মাৰ্চঃ** ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ে প্ৰথমবাৰৰ বাবে মেৰুদণ্ডৰ শল্য চিকিৎসা সফলতাৰে ৩ পৃষ্ঠাত

চেঞ্জিং ৰুমত আছে চিচিটিভি!

## আলট্ৰা কেয়াৰৰ বিৰুদ্ধে অভিযোগ




**ই-সংবাদ, ৯ মাৰ্চঃ** গুৱাহাটীৰ এখন ডায়গনষ্টিক চেণ্টাৰৰ বিৰুদ্ধে নাৰীৰ গোপনীয়তা ভংগ কৰাৰ গুৰুতৰ অভিযোগ ২ পৃষ্ঠাত

## ৰাভা হাছঙত বিজেপিৰ মিত্ৰতা, অকলেই যুঁজ দিব কংগ্ৰেছে

**ই-সংবাদ, ৯ মাৰ্চঃ** ৰাভা হাছং স্বায়ত্ব পৰিষদৰ নিৰ্বাচনক লৈ শাসক-বিৰোধীয়ে কঁকালত টঙালী বান্ধিছে। বিজেপিয়ে স্থানীয় ক্ষুদ্ৰ আঞ্চলিক দলৰ সৈতে লগলাগি নিৰ্বাচনত নামিব। আজি শেষাংশ ৩ পৃষ্ঠাত

## আৰপি কলিতালৈ 'অসম বৈভৱ', উমালৈ 'অসম গৌৰৱ'



## কেবিনেটৰ ঘোষণা

**ই-সংবাদ, ৯ মাৰ্চঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হয়। কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ শেষাংশ ৩ পৃষ্ঠাত

## কোকৰাঝাৰত এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন

### উপস্থিত থাকিব গৃহমন্ত্ৰী শ্বাহ

**ই-সংবাদ, কোকৰাঝাৰ, ৯ মাৰ্চঃ** কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফা পথাৰত অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এবছুৰ শেষাংশ ৭ পৃষ্ঠাত

যোৰহাটত সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক বৈঠক

## সলসলীয়াকৈ ইংৰাজী ক'ব পৰা পাঠ্যক্ৰমৰ আহ্বান!




**ই-সংবাদ, পশ্চিম যোৰহাট, যোৰহাট, ৯ মাৰ্চঃ** অসম সাহিত্য সভাৰ পুৰণি-নতুন কাৰ্যনিৰ্বাহকৰ যুটীয়া শেষাংশ ৪ পৃষ্ঠাত

## মহানগৰীৰ আৰক্ষীক চোৰে দিলে চেলেঞ্জ

**ই-সংবাদ, ৯ মাৰ্চঃ** মহানগৰ আৰক্ষীক চোৰে চেলেঞ্জ কৰিছে। দিছপুৰীয়া আৰক্ষী থানাৰ পৰা কিছু নিলগত তথা মুখ্যমন্ত্ৰীৰ চৰকাৰী শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আল্ট্ৰা কেয়াৰৰ বিৰুদ্ধে অভিযোগ

উত্থাপন হৈছে। বিভিন্ন পৰীক্ষাৰ পৰা যোৱা মহিলাক চিচিটিভিৰ সন্মুখত কাপোৰ খুলিবলৈ বাধ্য কৰোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে এগৰাকী যুৱতীয়ে। যুৱতীগৰাকীয়ে পৰীক্ষাৰ বাবে যোৱাৰ সময়তে তেওঁক যিটো কোঠাত পোছাক খুলিবলৈ দিয়া হৈছিল সেই কোঠাটোত চিচিটিভি লাগি আছিল। যুৱতীয়ে চিচিটিভি প্ৰত্যক্ষ কৰি গোপনীয়তা ভংগৰ অভিযোগ আনিছে। যিসমূহ পৰীক্ষাত ৰোগীয়ে পোছক খুলিবলগীয়া হয় সেই কোঠাত চিচিটিভি কিয় বুলি প্ৰশ্ন কৰি ডায়গনষ্টিক চেণ্টাৰৰ পৰা ওলাই আহি যুৱতীয়ে সংবাদমাধ্যত গুৰুতৰ অভিযোগ আনিছে। গুৱাহাটীৰ বেলতলাৰ চাৰ্ভেস্থিত আল্ট্ৰা কেয়াৰ ডায়গনষ্টিক চেণ্টাৰৰ বিৰুদ্ধে মহিলাৰ গোপনীয়তা উলংঘনৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি হৈছে। যুৱতীগৰাকীয়ে অভিযোগ কৰি কৈছে যে চেণ্টাৰৰ কৰ্মচাৰীসকলে পৰীক্ষাৰ সময়ত তেওঁক কাপোৰ আঁতৰাবলৈ বাধ্য কৰিছিল আৰু সেই দৃশ্য চিচিটিভিত বন্দী হৈছিল। কিয়নো সেই কোঠাটোত আছিল চিচিটিভি। যুৱতীয়ে অভিযোগ উত্থাপন কৰাৰ পিছতে বেলতলাৰ চাৰ্ভেস্থিত আল্ট্ৰা কেয়াৰ ডায়গনষ্টিক চেণ্টাৰত হাতীগাঁও আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীয়ে এজন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে তদন্ত কৰি থকা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দি প্ৰমাণ উদঘাটন কৰিবলৈ কাম কৰি আছে বুলি কয়। আৰক্ষীয়ে আন ভুক্তভোগীসকলক আগবাঢ়ি আহি একে ধৰণৰ অভিজ্ঞতাৰ অভিযোগ দিবলৈ আহ্বান জনাইছে। ৰোগীৰ স্বাস্থ্য পৰীক্ষাক লৈ ব্যৱসায় কৰা আল্ট্ৰা কেয়াৰ ডায়গনষ্টিক চেণ্টাৰৰ বিৰুদ্ধে গোপনীয়তা ভংগৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাত একাংশ লোকে উদ্বেগ প্ৰকাশ কৰি যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰ আৰক্ষীক চোৰৰ চেলেঞ্জ

আৱাসৰ সন্মুখত অৱস্থিত তথ্য আৰু জনসংযোগ কাৰ্যালয়ত চোৰে তাণ্ডৱ চলাইছে। এই ঘটনাই আৰক্ষীৰ নিৰাপত্তাক লৈ প্ৰশ্ন তুলিছে। দিছপুৰৰ বিধায়ক আৱাস চৌহদৰ সমীপত অৱস্থিত তথ্য আৰু জনসংযোগ কাৰ্যালয়ত চোৰে প্ৰৱেশ কৰে। চোৰে কাৰ্যালয়ৰ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰে। এই কাৰ্যালয়টো মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসৰ সন্মুখত অৱস্থিত, যাৰ চৌহদত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে গিজগিজাই থাকে। এই ভিআইআপি জ'নত চোৰে কেনেকৈ প্ৰৱেশ কৰিবলৈ সক্ষম হ'ল, সেই বিষয়ে সকলোকে আচৰিত কৰিছে। চোৰে কাৰ্যালয়ত প্ৰৱেশ কৰি কি নিবলৈ আহিছিল, সেই বিষয়ে স্পষ্ট তথ্য এতিয়াও পোৱা হোৱা নাই। তথ্য আৰু জনসংযোগ কাৰ্যালয়ত বিভিন্ন গুৰুত্বপূৰ্ণ কাগজ-পত্ৰ, যন্ত্ৰ-পাতি আদি থাকে। চোৰে এইবোৰৰ কোনো এটা নিবলৈ আহিছিল নে আন কোনো উদ্দেশ্য আছিল, সেই বিষয়ে তদন্ত চলাইছে আৰক্ষী। ঘটনাৰ পিছত আৰক্ষীয়ে জোৰদাৰ তদন্ত ব্যৱস্থা ৰাখিছে। চোৰক বিচাৰি উলিয়াবলৈ দিছপুৰ আৰক্ষী তৎপৰ হৈছে। আৰক্ষীৰ উচ্চপদস্থ বিষয়াই ঘটনাক গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাই সাধাৰণ মানুহক চিন্তিত কৰিছে। যদি চৰকাৰী কাৰ্যালয়ে সুৰক্ষিত নহয়, তেন্তে সাধাৰণ মানুহৰ সা-সম্পত্তিক নিৰাপত্তাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# কংগ্ৰেছত যোগ দিব কেঁচা সোণৰ ব্যৱসায়ী উৎপল বণিয়াই

**ই-সংবাদ, ৯ মাৰ্চঃ** মধ্য অসমৰ পৰা কেঁচা সোণৰ অসমীয়া গহনা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আহোপুৰুষাৰ্থ কৰা যুৱ ব্যৱসায়ী উৎপল বনীয়াই শীঘ্ৰে ৰাজনীতিত দ্বিতীয় ইনিংছ খেলিবলৈ সাজু হৈছে। নগাঁও জিলাৰ এতিহাসিক ৰণথলীৰ থলুৱা কেঁচা সোণৰ উদ্যোগক নতুন পৰিচয় দিবলৈ সক্ষম হোৱা অন্য এটা ৰাজনৈতিক দলত যোগদান কৰি পুনৰ ৰাজনীতিত সক্ৰিয় হ'বলৈ মন মেলিছে। অসম জাতীয় পৰিষদ গঠনৰ সময়ত দলটোত যোগদান কৰি মধ্য অসমত দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ কাম কৰিছিল যদিও দলীয় নেতৃত্বৰ সৈতে মনোমালিন্য হোৱাত অসম জাতীয় পৰিষদ ত্যাগ কৰিছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত উৎপল বনীয়াই মাথো ৬ মাহ পূৰ্বে গঠিত অসম জাতীয় পৰিষদৰ পৰা ৰহা সমষ্টিৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল। কেইটামান দিন নিৰ্বাচনী প্ৰচাৰত নামি ৰহাত বিশেষ প্ৰভাৱ পেলাব নোৱাৰিলে আৰু ৫,৬০০ ভোট লাভ কৰিছিল। ৰাজনীতিৰ পৰা আতৰি পুনৰ কেঁচা সোণৰ উদ্যোগলৈ উভতি গৈ উদ্যোগটোক নতুন গতি দিবলৈ কাম কৰা উৎপল বনীয়াই শীঘ্ৰে কংগ্ৰেছ দলত যোগদান কৰিব আজি উৎপলৰ সৈতে যোগাযোগ কৰাত তেওঁ কয় যে মই ৰাজনীতি নিজৰ বাবে কৰিব অহা নাই। জাতীয় স্বাৰ্থ, সমাজৰ পিছপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে ৰাজনীতিলৈ আহিছো। অহা ১৬ মাৰ্চত ৰহাত কংগ্ৰেছৰ এখন বৃহৎ সভা অনুষ্ঠিত হ'ব। উক্ত সভাত মই কংগ্ৰেছ দলত যোগদান কৰিম। নিজ ঘৰতে কেঁচা সোণৰ উদ্যোগ চলোৱা আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিপণী খুলি বহু নিবনুৱাক সংস্থাপন দিয়া উৎপল বনীয়াই দীৰ্ঘদিন ৰাজনীতিৰ পৰা আতৰি আছিল যদিও উৎপল বনীয়াই ৰাজ্যৰ মুখ্য বিৰোধী দলটোত যোগদান কৰাৰ ঘোষণা কৰাত মধ্য অসমত ব্যাপক চৰ্চা লাভ কৰিছে। ৰহা সমষ্টিত কাম কৰি থকা বনীয়াই কংগ্ৰেছত যোগদান কৰাৰ পিছতে মধ্য অসমৰ ৰাজনীতিত প্ৰভাৱ পৰিব বুলি বুঃ বাঃ চলিছে। কিয়নো ৰহা সমষ্টি কংগ্ৰেছৰ হাতত থাকিও নথকাৰ দৰে। যোৱাবাৰ বিধানসভা নিৰ্বাচনত ৰহা সমষ্টিত কংগ্ৰেছ দলৰ টিকটত জয়ী হৈছিল বিধায়ক শশী কান্ত দাস। কিন্তু নিৰ্বাচনত জয়ী হৈয়ে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক সমৰ্থন কৰি আহিছে। যাৰ বাবে কংগ্ৰেছৰ দলে দলবিৰোধী কাৰ্যত জড়িত হোৱাৰ অপৰাধত ৬ বছৰৰ বাবে নিলম্বিত কৰিছে। কংগ্ৰেছৰ পৰা এলাগী শশীয়ে কংগ্ৰেছৰ পৰা টিকট দাবী কৰিব নোৱাৰিব সেয়া খাতাং। যাৰ বাবে গণভিত্তি থকা উৎপলে ৰহা সমষ্টিত সক্ৰিয় হ'লে শশী কান্ত দাসৰ নিশ্চিতভাৱে আউল লাগিব। বৃহৎ সংখ্যাক অনুসূচিত জনজাতি, সংখ্যালঘু ভোটাৰ থকা সমষ্টিটোত কংগ্ৰেছৰ দুৰ্গ যদিও বলিষ্ঠ নেতাৰ অভাৱ দেখা গৈছিল। ১৬ মাৰ্চত উৎপলে যোগদান কৰাৰ পিছতে ৰহাত কংগ্ৰেছৰ পৰিস্থিতি উন্নত হ'ব বুলি দাবী কৰিছে একাংশ তৃণমূল পৰ্যায়ৰ কংগ্ৰেছীয়ে। ৰহাৰ একাংশ পুৰণি কংগ্ৰেছ নেতাই কয় যে ৰহাত সাংগঠনিক স্থিতি শক্তিশালী। কিন্তু বিধায়ক হৈ শশীকান্ত দাসে গাড্ডাৰী কৰিছে। যাৰ বাবে বহু পুৰণি নেতাৰ মন ভাঙি গৈছিল। যদি উৎপল বনীয়াই কংগ্ৰেছত যোগদান কৰে তেন্তে ৰহা সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত সলনি হ'ব। উৎপল বনীয়া নগাঁৰৰ ৰণথলিৰ যুৱ ব্যৱসায়ী হোৱাৰ লগতে সমাজকৰ্মী হিচাপে জনপ্ৰিয়। ২০১৩ চনত উৎপল বনীয়া কেঁচা সোণৰ উদ্যোগত জড়িত হৈ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰচাৰ-প্ৰসাৰ কৰি আহিছে। অসমীয়া গহনাৰ উদ্যোগৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দীৰ্ঘদিন ধৰি কাম কৰি আহিছে। চীনৰ পৰা ভাৰতলৈ বজাৰলৈ অহা কিছু গহনাই ৰণথলীৰ গহনাৰ বজাৰখনক প্ৰত্যাহ্বান জনাইছিল। লগতে ৰণথলীৰ পৰা অসমৰ থলুৱা গহনাৰ আৰ্হি চুৰি কৰি পশ্চিমবংগত একে আৰ্হিত গহনা তৈয়াৰ কৰি অসমৰ বজাৰ দখল কৰিবলৈ প্ৰয়াস কৰিছিল এটা অসাধু চক্ৰই। অসমৰ গহনাৰ দৰেই চীনে তৈয়াৰ কৰা সস্তীয়া গহনা, অসমীয়া গহনাৰ বিজতৰীয়া কৰিবলৈ প্ৰয়াস কৰা পশ্চিমবংগৰ অসাধু চক্ৰৰ বিৰুদ্ধে যুঁজ দি ৰণথলীৰ কেঁচা সোণৰ গৰিমা উদ্ধাৰ কৰাই নহয় আজি সমগ্ৰ অসমত আৰু দেশ-বিদেশীত এখন বজাৰ দখল কৰিবলৈ বিৰল অহিৰনা যোগাইছে উৎপল বনীয়াই। ৰণথলী এলেকাৰ পৰিয়ালসমূহে ঘৰে ঘৰে তৈয়াৰ কৰা কেঁচা সোণৰ গহনাক এখন বজাৰ প্ৰদান কৰিবলৈ সক্ষম হৈছে। স্বাৱলম্বী অসমীয়া যুৱক উৎপল বণিয়াই পুনৰ ৰাজনীতিৰ পথাৰলৈ অহাৰ খবৰটো প্ৰকৃততে এক ভাল খবৰ বুলিয়েই ক'ব পাৰি।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাভা হাছঙত বিজেপিৰ মিত্ৰতা

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই গোৱালপাৰা জিলাৰ দুধনৈত ভ্ৰমণ কৰি স্থানীয় ক্ষুদ্ৰ আঞ্চলিক দল ৰাভা হাছং যৌথ মঞ্চৰ নেতা টংকেশ্বৰ ৰাভাৰ সৈতে বৈঠকত মিলিত আসন ভাগ-বাটোৱাৰা সম্পূৰ্ণ কৰে। দুধনৈৰ নিখিল ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত ৰাভা হাছং যৌথ মঞ্চৰ নেতৃত্বৰে বৈঠকৰ পিছতে বিজেপিয়ে ৩৬ খন আসনৰ ভিতৰত ৬ খন আসন আৰু ৰাভা হাছং যৌথ মঞ্চই ৩০ খন আসনত নিৰ্বাচন খেলাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গোৱালপাৰা আৰু কামৰূপ জিলাত থকা ৩৬টা সমষ্টিত বিজেপি আৰু ৰাভা হাছং যৌথ মঞ্চই একেলগে নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰচাৰ চলাবলৈ মুখ্যমন্ত্ৰী যাব। ৰাভা হাছং যৌথ মঞ্চই বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে। সেই অনুসৰি গোৱালপাৰা পশ্চিম, বকো, ছয়গাঁৱত অকলে যৌথ মঞ্চৰ সহায়ত নিৰ্বাচন খেলিব বিজেপিয়ে। এই বৈঠক ইতিবাচক আৰু পৰিণাম দিয়া বৈঠক বুলি কয় দিলীপ শইকীয়াই। শান্তিপূৰ্ণ, বিকশিত, সকলো জাতি-জনগোষ্ঠীক সমাহিত কৰি কংগ্ৰেছ মুক্ত তথা দুৰ্নীতিমুক্ত ৰাভা হাছং স্বায়ত্ব পৰিষদ গঠনৰ সংকল্প লোৱা বুলি কয় শইকীয়াই। আনহাতে বৰ্তমানৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই জয় নিশ্চিত বুলি দাবী কৰে। ইপিনে কংগ্ৰেছে অকলে নিৰ্বাচন খেলাৰ সিদ্ধান্ত লৈছে। এপিপিচিয়ে ৰাভা কাউন্সিলৰ বাবে দায়িত্ব দিয়া কংগ্ৰেছ নেতা প্ৰণয় ৰাভা সক্ৰিয় হৈ পৰিছে। ৰাভাই কৈছে যে মোক দিয়া দায়িত্ব সুচাৰুৰূপে পালন কৰিছো। আমি ডেৰ বছৰৰ পৰা কাম কৰি আছো। দলীয় কৰ্মীক সক্ৰিয় কৰিছো। বিজেপিৰ মিত্ৰতা সন্দৰ্ভত তেওঁ কয় যে তেওঁলোকৰ কথা তেওঁলোকে জানে। যৌথ মঞ্চই ১০ বছৰ শাসন কৰি থকাত ৰাইজৰ মাজত এণ্টি ইনকামবেন্সি বেছি হৈছে। ১০ বছৰে যৌথ মঞ্চই কি কাম কৰিলে ৰাইজক বিচাৰ কৰিবলৈ আহ্বান জনায় প্ৰণয় ৰাভাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ধুবুৰী মেডিকেল কলেজৰ কৃতিত্ব

সম্পন্ন কৰিবলৈ সক্ষম হৈছে। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত প্ৰথমবাৰ মেৰুদণ্ডৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰিছে এটা অভিজ্ঞ চিকিৎসকৰ দলে। ইয়াক ঐতিহাসিক মাইলষ্ট'ন হিচাপে গণ্য কৰিছে ধুবুৰী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই। এই কাৰ্য্যই প্ৰতিষ্ঠানটোৰ চিকিৎসা সক্ষমতাৰ এক নতুন দিশ উন্মোচন কৰিছে। এই খবৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰি চিকিৎসালয় কৰ্তৃপক্ষ আৰু চিকিৎসকক অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ অভিনন্দন। মেৰুদণ্ডৰ প্ৰথমটো অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰাৰ কৃতিত্বৰ আঁৰৰ প্ৰতিগৰাকীলৈ আন্তৰিক শলাগ লৈছো। আমাৰ চিকিৎসালয়সমূহ সৰ্বশ্ৰেষ্ঠ সুবিধা আৰু চিকিৎসকেৰে সজ্জিত কৰিবলৈ আমি পণ লৈছো। আমি সদায় প্ৰয়াস কৰি আহিছো যাতে আপুনি আপোনাৰ বিশেষ চিকিৎসাৰ বাবে এপইচাও খৰচ নকৰাকৈ কেৱল আপোনাৰ ওচৰৰ চিকিৎসা মহাবিদ্যালয়লৈ গৈয়েই উত্তম চিকিৎসা লাভ কৰিব পাৰে। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অংকুমণি শইকীয়াই জানিবলৈ দিয়া মতে, চিকিৎসা ধুবুৰী জিলাৰ এগৰাকী ১৬ বছৰীয়া কিশোৰীৰ প্ৰথমবাৰ মেৰুদণ্ডৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰা হৈছে। কিশোৰীগৰাকীৰ মেৰুদণ্ডৰ টিউমাৰ আৰু পৰৱৰ্তী আঘাতজনিত ভংগ আৰু স্নায়ৱিক অসুবিধা ধৰা পৰিছিল। দক্ষ শল্য চিকিৎসকৰ এটা দলে টিউমাৰ আঁতৰোৱা, ডিকম্প্ৰেছন কৰা আৰু মেৰুদণ্ড স্থিৰ কৰিবলৈ স্ক্ৰু স্থাপন কৰাৰ দৰে জটিল পদ্ধতি সফলতাৰে সম্পন্ন কৰে। এই শল্য চিকিৎসা আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত কৰা হৈছিল। যাৰ ফলত ৰোগীগৰাকীয়ে কোনো খৰচ নকৰাকৈ চিকিৎসা লাভ কৰিছে। ড০ শইকীয়াই ইয়াৰ উপৰিও কৈছে যে চিকিৎসালয়খনে এতিয়া আন জটিল শল্য চিকিৎসা, যেনে টোটেল নী ৰিপ্লেচমেন্ট আৰু হিপ ৰিপ্লেচমেন্ট আদি কৰাৰ সক্ষমতা অৰ্জন কৰিছে। ইয়াৰ জৰিয়তে আধুনিক চিকিৎসা সেৱা আগবঢ়োৱাত চিকিৎসালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই মাইলষ্ট'নে চৰকাৰৰ স্বাস্থ্য সেৱা আৰু অসমৰ চিকিৎসা মহাবিদ্যালয় সমূহত বিশেষজ্ঞ চিকিৎসকৰ উৎসাহ লাভ কৰিব। মেডিকেল কলেজখনৰ এই কৃতিত্বই জনতাৰ মাজতো আশাৰ সঞ্চাৰ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰপি কলিতালৈ 'অসম বৈভৱ',

কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খোদ এখন সংবাদমেল সম্বোধন কৰি উল্লেখ কৰিছে। আজিৰ কেবিনেটে ৰাজ্য চৰকাৰে প্ৰদান কৰি অহা অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা প্ৰাপ্তসকলৰ নাম প্ৰকাশৰ সিদ্ধান্ত লয়। সেই অনুসৰি মুখ্যমন্ত্ৰীয়ে বঁটাসমূহ প্ৰাপ্তসকলৰ নাম ঘোষণা কৰিছে। ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত লেফটেনেন্ট অসম সন্তান ৰাণা প্ৰতাপ কলিতাক অসম বৈভৱ বঁটা প্ৰদানৰ ঘোষণা কৰে। আনহাতে অসম সৌৰভ বঁটা সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, মহিলা ক্ৰিকেটাৰ উমা ছেত্ৰী আৰু টিচিএছৰ চেয়াৰমেন ড০ এছ ৰামাডুৰাইক প্ৰদানৰ ঘোষণা কৰে। ইপিনে চোৰণ এহেম ৰেস্তোঁৰা, বাৰেকুৰি ইক' ডেভলপমেণ্ট ছ'চাইটি, নগাঁৱৰ 'হাতী বন্ধু', ডেভিড প্ৰতিম গগৈ, 'বুলাহ টী'ৰ উপমন্যু বৰকাকতি, বৰলাংফা নাৰ্জাৰী আৰু ৰাম চাচনী, বজালীৰ ভাৰত কলিতা, যোৰহাটৰ বিশ্বজিৎ বৰা, শ্ৰীভূমিৰ নজৰুল হক, বিনং তেৰণ, কাঁহ শিল্পী হৰিদাস দাস, ফুটবলাৰ পাৰ্থিৱ সুন্দৰ গগৈ, ড০ বাপ্পী পাল, পূৰবী শইকীয়া, ঢকুৱাখনাৰ ফুলেশ্বৰী দত্ত, বাইকাৰ্ছ মিনাক্ষী দাসক অসম গৌৰৱ বঁটা প্ৰদান কৰা হ'ব। ৩০ মাৰ্চত ৰাজ্যপালে প্ৰদান কৰিব অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা। অসম গৌৰৱ বঁটাত থাকিব নগদ ৩ লাখ টকা। অসম সৌৰভ বঁটাত থাকিব নগদ ৪ লাখ টকা আৰু অসম বৈভৱ বঁটাত থাকিব নগদ ৫ লাখ টকা। আজি কেবিনেটে ড্ৰাইভিং লাইচেন্সক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। এতিয়াৰে পৰা জিলা জিলাই স্থাপন কৰিবলগীয়া গাড়ী চলোৱাৰ প্ৰশিক্ষণ কেন্দ্ৰই দিব লাইচেন্স। ড্ৰাইভিং লাইচেন্সৰ বাবে পৰিবহন কাৰ্যালয়ৰ পৰিৱৰ্তে গাড়ী চলোৱাৰ প্ৰশিক্ষণ কেন্দ্ৰই প্ৰদান কৰিব ড্ৰাইভিং লাইচেন্স। ড্ৰাইভিং লাইচেন্সত নাথাকিব জিলা পৰিৱহণ বিষয়াৰ স্বাক্ষৰ। চলিত বাজেট অধিৱেশনত অসম কোচিং ইনষ্টিটিউট কণ্ট্ৰোল এণ্ড ৰেগুলেচন এক্ট উত্থাপন কৰাৰ অনুমতি প্ৰদান কৰে। যধে-মধে গঢ়ি উঠা কোচিং চেণ্টাৰসমূহক নিয়ন্ত্ৰণ কৰা হ'ব। লগতে কোকৰাঝাৰ বিশ্ববিদ্যালয় নীতিত সংশোধনী, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় আইনখনৰ এটা সংশোধনী, পশুপালন আৰু মীন বিশ্ববিদ্যালয় আইনৰ সংশোধনীৰ বাবে অনুমোদন দিয়ে। কামৰূপ আৰু মৰিগাঁৱত দুই মেগা ঔদ্যোগিক পাৰ্কৰ বাবে আজিৰ কেবিনেটে ভূমিৰ আৱণ্টন দিয়ে। মেডিকেল কলেজৰ প্ৰৱেশ পৰীক্ষাৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাবলৈ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্য চৰকাৰে মেডিকেল কলেজৰ প্ৰৱেশ পৰীক্ষাৰ কেন্দ্ৰ কেৱল চৰকাৰী বিদ্যালয়ক কৰা, এডিআৰইৰ দৰে জিলা আয়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকৰ নিয়ন্ত্ৰণত মেডিকেলৰ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা, পৰীক্ষাৰ্থীসকলে বায়'মেট্ৰিক টেষ্ট দি পৰীক্ষাত বহাৰ সিদ্ধান্ত ল'ব খোজে। মাজুলী আৰু শিৱসাগৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ নিয়াৰ বাবে কেবিনেটে সিদ্ধান্ত লয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সলসলীয়াকৈ ইংৰাজী ক'ব পৰা

বৈঠক আৰু প্ৰথমখন কাৰ্যনিৰ্বাহক অধিৱেশন সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱন প্ৰাঙ্গনৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাই ১০০ জনীয়াকৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰাৰ লগতে ৬ প্ৰস্তাৱ, ১১ সিদ্ধান্তৰ লগতে আগন্তুক দুবছৰৰ আঁচনি প্ৰস্তুত কৰে। বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰি বিদায়ী সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই বক্তব্য প্ৰদান কৰি বিদায় লোৱাৰ পাছতে পূৰ্বৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই বৰ্তমানৰ সম্পাদক দেৱজিৎ বৰাক খোল-তাল আয়তীৰ উৰুলিত আনুষ্ঠানিকভাৱে দায়িত্ব চমজি লয়। ড০ প্ৰহ্লাদ চন্দ্ৰ তাছা, ড০ সমুদ্ৰগুপ্ত কাশ্যপে বক্তব্য প্ৰদান কৰাৰ পাছতে পত্ৰিকা আনুষ্ঠানিকভাৱে উন্মোচন কৰে। কাৰ্যনিৰ্বাহক সভাই অসমৰ প্ৰশাসনীয় ভাষা সৰ্বস্তৰত প্ৰকাশ কৰিবলৈ প্ৰশাসনীয় ভাষা প্ৰয়োগ শাখাক পুনৰ প্ৰৱৰ্তন, অসমীয়া মাধ্যমৰ বিদ্যালয়ত প্ৰশিক্ষণপ্ৰাপ্ত ইংৰাজী বিষয় শিক্ষক নিযুক্তি, শিক্ষাৰ্থীসকলে ইংৰাজী সলসলীয়াকৈ ক'ব পৰা পাঠ্যক্ৰম প্ৰস্তুতৰ আহ্বান জনায়। প্ৰশাসনীয় ভাষা প্ৰচলনৰ কাৰণে আইনখনৰ তৃতীয় ছেদৰ যথাৰ্থ কাৰ্যকৰীকৰণৰ বাবে বিভাগবোৰৰ পৰা প্ৰতিবেদন বিচাৰিবলৈ আহ্বান জনায়। তিনি তৰপীয়া ৰাজ্য ভাষা প্ৰয়োগ, কোষ গঠনৰ লগতে কেন্দ্ৰ, জিলা, সম-জিলা পৰ্যায়ত গঠিত কোষসমূহত প্ৰশাসনীয় ভাষা প্ৰয়োগ নিশ্চিত কৰিবলৈও চৰকাৰৰ প্ৰতি আহ্বান জনায়। পৰ্যাপ্ত অনুদান দি ভাষা সঞ্চালকালয়ক সক্ৰিয় কৰিবলৈ, ব্যাপক প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ, পৰিভাষা যুগুত কৰাত গুৰুত্ব দিবলৈ আৰু গ্ৰন্থ বৰ্ষৰ বিষয়ে ব্যাপক প্ৰচাৰ কৰিবলৈও অনুৰোধ কৰে। ছেমিকণ্ডাক্টৰ প্ৰকল্পত ঠলুৱা লোকক নিযুক্তি দিব পৰাকৈ অসমত বসবাস কৰা যুৱকসকলক প্ৰশিক্ষণ দিয়াৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ, এডভান্টেজ অসমৰ কাৰ্যসূচী আৰম্ভ কৰাৰ বাবে চৰকাৰক সমৰ্থন জনোৱাৰ লগতে যুৱ শক্তিক নিয়োগৰ বাবে আগতীয়া প্ৰস্তুতিত চৰকাৰক গুৰুত্ব দিবলৈও আহ্বান জনায়। ২০২৫ বৰ্ষটো গ্ৰন্থ বৰ্ষৰূপে চৰকাৰে পালন কৰিবলৈ লোৱা পদক্ষেপক সমৰ্থন জনোৱাৰ লগতে প্ৰতিগৰাকী অভিভাৱকক সন্তানক একোখনকৈ গ্ৰন্থ ক্ৰয় কৰি দিবলৈ অসমৰ কৰ্মচাৰী পৰিষদ, শিক্ষক সংস্থাৰ সৈতে জড়িতসকলক মাহেকত একোখনকৈ গ্ৰন্থ ক্ৰয় কৰিবলৈও আহ্বান জনায়। অসমীয়া ইউনিক'ড ফন্ট তৈয়াৰ কৰিবলৈ স্থানীয় পাৰংগত গোট গঠন কৰিবলৈ, ডিজিটেল মিডিয়া, এটিএম আদিত অসমীয়া ভাষাত আদান-প্ৰদানৰ ব্যৱস্থা কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়বোৰত শিক্ষাৰ্থীৰ সংখ্যা কমি যোৱাৰ কাৰণ বিচাৰিবৰ বাবে বিদ্যায়তনিক পৰিষদ গঠন কৰি চৰকাৰক উপযুক্ত শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে চৌহদ আৰু আন্তঃগাঁথনি আকৰ্ষণীয় কৰাৰ লগতে বিদ্যায়তনিক পৰিৱেশ সৃষ্টি কৰিবলৈও চৰকাৰক অসম সাহিত্য সভাই অনুৰোধ জনায়। সভাৰ প্ৰতিজন কাৰ্যনিৰ্বাহক সদস্যই তিনিমাহৰ অন্তত কামৰ খতিয়ান লিখিতভাৱে দিয়াৰ লগতে প্ৰতিজন সংগঠকে এশখনকৈ অসম সাহিত্য সভা পত্ৰিকা গ্ৰাহকভুক্ত কৰিব লাগিব। অনলাইনযোগে সভাৰ পত্ৰিকা পুঁজি ধন জমা দিব লাগিব। আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকসকলে সভাৰ প্ৰকাশনৰ এশখনকৈ গ্ৰন্থ বিক্ৰী কৰিব লাগিব। জিলাসমূহৰ সভাপতি আৰু সম্পাদসকলে সংগঠকসকলৰ সহযোগত নিৰ্দিষ্ট জিলাখনত কমেও তিনিশজন আজীৱন সদস্য কৰিব লাগিব। আজীৱন সদস্যৰ ধনৰ লেনদেন বেংক হিচাপৰ জৰিয়তে কৰিব লাগিব। প্ৰতিখন শাখা সাহিত্য সভাই শিশুসকলক উপস্থিত কৰাই সাধু কোৱা, ৰচনা লেখাৰ প্ৰতিযোগিতা পাতিব লাগিব। কবিতা আবৃত্তি কৰাবলৈ অভ্যাস কৰাব লাগিব। কাৰ্যসূচীৰ প্ৰতিবেদন তিনিমাহৰ অন্তত কেন্দ্ৰীয় কাৰ্যালয়ত জমা দিব লাগিব। জিলা আৰু শাখাই আবৃত্তি সমাৰোহ পাতোতে কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি উপস্থিত থাকিব লাগিব। সভাই কেন্দ্ৰীয়ভাৱে ৫০ হাজাৰ লোক সমৱেত কৰাই আবৃত্তি কৰাৰ ব্যৱস্থা কৰিব। লুম্মেৰদাই গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠাৰ কাৰণে অৰুণাচল চৰকাৰে প্ৰথম পৰ্যায়ত তিনি লাখ টকা দিছিল আৰু বছৰি পাঁচ লাখ টকাকৈ দিয়াৰ কথা আছিল। এই গৱেষণা কেন্দ্ৰৰ পৰা অৰুণাচলৰ মূল কেইটামান ভাষাৰ ব্যৱহাৰিকৰূপৰ পুস্তিকা ছপা কৰি বিতৰণ কৰিব অসম সাহিত্য সভাই। অহা ১ জুনত পাছিঘাটত লুম্মেৰদাই বঁটা প্ৰদান কৰিবলৈ সিদ্ধান্ত কৰাৰ লগতে লুম্মেৰদাই প্ৰতিমূৰ্তি স্থাপন কৰিবলৈ সভাত সিদ্ধান্ত কৰে। সভাৰ প্ৰকাশন আঁচনিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলী ইংৰাজী আৰু হিন্দী সংস্কৰণ প্ৰকাশ কৰিবলৈ হিষ্টৰী অৱ আছামিছ লেংগুৱেজ গৱেষণা গ্ৰন্থখন পুনৰ প্ৰকাশ কৰিবলৈ, মাধৱ কন্দলি ৰামায়ণৰ প্ৰচীনত্ব নিৰূপন গ্ৰন্থখন ইংৰাজী, হিন্দী আৰু মালয়ালম ভাষালৈ অনুদিত কৰিবলৈ সভাই পূৰ্বতে প্ৰকাশ কৰা সাহিত্য সমীক্ষা গ্ৰন্থখনত আধুনিক সমালোচনাৰ ধাৰা অন্তৰ্ভুক্ত কৰি পুনৰ প্ৰকাশ কৰিবলৈ, তৰুণ কবিৰ কবিতা দ্বিতীয় খণ্ড প্ৰকাশ কৰিবলৈ আৰু অসমীয়া কবিতাৰ সংকলন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে। সভাই পূৰ্বতে প্ৰকাশ কৰা দুষ্পাপ্য গ্ৰন্থসমূহ পুনৰ মুদ্ৰণ কৰিবলৈ, প্ৰাক্ শংকৰ, শংকৰদেৱ, মাধৱদেৱ, শংকৰোত্তৰ যুগক সামৰি গ্ৰন্থ প্ৰকাশ কৰিবলৈ, অসম সাহিত্য সভা পত্ৰিকা ১০০ বছৰৰ সংকলন প্ৰকাশ কৰিবলৈ, হেমচন্দ্ৰ বৰুৱাৰ ৰচনাৱলী ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰিবলৈ, শিশুসকলৰ বাবে এনিমেশ্বনৰ যোগেদি ম'বাইল লাইব্ৰেৰী ব্যৱস্থা কৰিবলৈ, আবৃত্তি কোষ গঠন কৰিবলৈ আৰু চন্দ্ৰকান্ত অভিধানখন পুনৰ মুদ্ৰণ কৰিবলৈ সভাই সিদ্ধান্ত লয়। অন্যহাতে শিশু বিজ্ঞান মেলা প্ৰতি আঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত জিলাসমূহত আয়োজন কৰিবলৈ, অসম আৰু অৰুণাচলৰ জনগোষ্ঠীয় ভাষা থল অনুযায়ী ব্যৱহাৰিক ৰূপ আৰু তাৰ অসমীয়া ৰূপ প্ৰকাশৰে পুস্তিকা ছপা কৰিবলৈ সিদ্ধান্ত কৰে। অসমৰ বাগানসমূহত সাংস্কৃতিক বিনিময়ৰ যোগেদি বৰগীত, লোকগীত পৰিৱেশন আৰু অবাগানীয়া শিক্ষাৰ্থীক বাগানীয়া গীত-মাত, নৃত্য পৰিৱেশনৰ কাৰ্যসূচী ৰূপায়ণ, টাই ভাষাৰ আৰু অসমীয়া ভাষাৰ পাৰস্পৰিক ব্যৱহাৰিক যোগাযোগৰ বাবে পুস্তিকা, অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত শাখাসমূহৰ পৰিচয়মূলক গ্ৰন্থ প্ৰকাশ কৰিবলৈও আজিৰ সভাত সিদ্ধান্ত কৰে। সভাৰ সকলো বিত্তীয় লেনদেন নগদবিহীন কৰাৰ সিদ্ধান্তৰ লগতে তথ্য জনাৰ অধিকাৰ আইনৰ কোষ গঠন, সভাৰ ৱেবছাইট সক্ৰিয়, হিতৈষী, আজীৱন সভ্যৰ সন্মিলন অনুষ্ঠিত, ডিমাহাছাও, নাগালেণ্ডলৈ সেতুবন্ধ কাৰ্যসূচী ৰূপায়ণ, অৰুণাচলত অসমীয়া তৃতীয় ভাষাৰূপে প্ৰৱৰ্তনৰ উদ্দেশ্যে চৰকাৰক অনুৰোধ জনাবলৈ দল প্ৰেৰণ, অসমীয়া অক্ষৰ বিন্যাস, আৰ্হিপাঠ সংশোধনী, অংগসজ্জা আদিৰ পাঠ্যক্ৰম কেন্দ্ৰীয় কাৰ্যালয়ত ৰূপায়ণ কৰিবলৈ ডিমাপুৰ, কহিমা, শিলচৰত থকা অসম সাহিত্য সভাৰ ভূমিত অসম হাউছ প্ৰতিষ্ঠা কৰিবলৈ, জাতীয় বাৰী প্ৰকল্প, শিৱসাগৰ শতবৰ্ষীয় প্ৰকল্পৰ উন্নয়ন আৰু আদি, নিচি ভাষাৰ গ্ৰন্থ প্ৰকাশ কৰিবলৈ সভাত সিদ্ধান্ত কৰে। সভাৰ বৰ্তমানৰ সদস্যৰ সংখ্যা ৬০ হাজাৰ বুলি উল্লেখ কৰে। ইয়াৰ লগতে গুৱাহাটীৰ চচলত অসম সাহিত্য সভাৰ ৬০ বিঘা, শিলচৰত ৮ কঠা আৰু ডিমাপুৰত এবিঘা মাটি থকা বুলি সদৰী কৰে সাহিত্য সভাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমলৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ

শ্বাহ। অসম আৰু মিজোৰামত চৰকাৰী কাৰ্যসূচীত অংশ লোৱাৰ লগতে দলীয় কাৰ্যসূচীত অংশ ল'ব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উত্তৰ-পূৰ্বাঞ্চল তথা অসম ভ্ৰমণক লৈ বিবৃতি জাৰি কৰিছে। মুখ্যমন্ত্ৰী কাৰ্যালয়ে এক্সত এটা পোষ্ট দি কয় যে শ্বাহৰ আগমনক লৈ মুখ্যমন্ত্ৰীয়ে উচ্চপদস্থ বিষয়াৰ সৈতে এক বৈঠক অনুষ্ঠিত কৰে। বৈঠকত শ্বাহে অংশ ল'বলগীয়া কাৰ্যসূচীৰ প্ৰস্তুতিক লৈ আলোচনা কৰি কেইবাটাও নিৰ্দেশ দিয়ে। কাৰ্যসূচী সফলভাৱে সম্পন্ন কৰিবলৈ সমন্বয় আৰু পৰিকল্পনাৰ ওপৰত গুৰুত্ব দিয়ে। শ্বাহে ১৪ মাৰ্চত গুৱাহাটীত উপস্থিত হ'ব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য মতে শ্বাহে পিছদিনা ১৫ মাৰ্চত দেৰগাঁৱৰ পুন নিৰ্মাণ কৰা পুলিচ একাডেমী উদ্বোধন কৰিব। ১৫ মাৰ্চত মিজোৰামত এক অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু একেটা দিনা সন্ধ্যাত অসমলৈ উভতি আহি পিছদিনা বড়োলেণ্ড টেৰিটৰিয়েল এলেকাত এক সভাত অংশ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নকৈ নিৰ্মাণ কৰা দেৰগাঁৰ লাচিত বৰফুকন আৰক্ষী একাডেমীৰ ফটো শ্বেয়াৰ কৰি কয় যে ১৫ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে একাডেমীখন উদ্বোধন কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তপ্ত মণিপুৰ! আৰক্ষীৰ গুলীয়ে বুকু

পিছতে আকৌ সৃষ্টি হৈছে ৰক্তাক্ত পৰিস্থিতিৰ। ৰাজ্যখনৰ কাংপোকপি জিলাত কুকি প্ৰতিবাদকাৰী আৰু নিৰাপত্তাৰক্ষীৰ মাজত শনিবাৰে সংঘটিত সংঘাতৰ পিছত দেওবাৰে পুৱাৰে পৰা পৰিস্থিতি কিছু শান্ত হয় যদিও এতিয়াও অব্যাহত আছে চৰম উত্তেজনা। নিৰাপত্তা বাহিনীৰ "দমন অভিযান"ৰ প্ৰতিবাদত কুকি-জো সংগঠনে অনিৰ্দিষ্টকাললৈ বন্ধ কৰাৰ আহ্বান জনোৱাৰ ফলত কুকি জনবসতিপূৰ্ণ অঞ্চলসমূহৰ স্বাভাৱিক জীৱন বিঘ্নিত হৈছে। কাংপোকপিৰ গামঘিপাইকে ধৰি বিভিন্ন অঞ্চলত অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হৈছে। ২নং ৰাষ্ট্ৰীয় ঘাইপথ (ইম্ফল-ডিমাপুৰ পথ)ৰ কাষত আৰু অধিক সংঘৰ্ষ ৰোধ কৰিবলৈ টহলদাৰীৰ ব্যৱস্থা কৰা হৈছে। জিলা প্ৰশাসনৰ এগৰাকী বিষয়াই কয় যে পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ নিৰাপত্তা বাহিনীয়ে সৰ্বাধিক সাৱধানতা অৱলম্বন কৰিছে। উল্লেখ্য যে, শনিবাৰে গোটেই দিনটো নিৰাপত্তা বাহিনী আৰু কুকি প্ৰতিবাদকাৰীৰ মাজত সংঘটিত সংঘৰ্ষত এজন লোক নিহত হয়। ইফালে এই পৰিস্থিতিত মহিলা, আৰক্ষী জোৱান, সাধাৰণ প্ৰতিবাদকাৰীকে ধৰি ৪৩ জন লোক আহত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ সকলো পথতে মুক্ত চলাচল নিশ্চিত কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰা কুকি প্ৰতিবাদকাৰীক আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰি ছত্ৰভংগ দিয়াবলৈ চেষ্টা কৰাৰ পিছতে পৰিস্থিতি নিয়ন্ত্ৰণহীন হৈ পৰে।শনিবাৰে নিশালৈকে কুকি অধ্যুষিত জিলাখনত উত্তেজনা তুংগত উপনীত হয়। সেই সময়ত প্ৰতিবাদকাৰীয়ে নিৰাপত্তা বাহিনীৰ ওপৰত গুলীবৰ্ষণ কৰাৰো অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে জনোৱা মতে, কমেও পাঁচখন নিৰাপত্তাৰক্ষীৰ বাহনৰ খিৰিকী ভাঙি গৈছে। কেৱল সেয়াই নহয়, প্ৰতিবাদকাৰীৰ ভিৰৰ পৰা নিৰাপত্তা বাহিনীলৈ লক্ষ্য কৰি গুলীচালনা কৰাৰ পিছতে প্ৰত্যুত্তৰ দিবলৈ বাধ্য হৈ পৰে নিৰাপত্তা বাহিনীয়েও। অন্যহাতে, এই প্ৰতিবাদত অংশগ্ৰহণ কৰা কুকি-জো কাউন্সিল (কেজেডিচি)ৰ আহ্বানত অনিৰ্দিষ্টকালীন ধৰ্মঘটৰ সমৰ্থন জনাইছে খিলঞ্জীয়া জনজাতি নেতা মঞ্চই। এক বিবৃতিত আইটিএলএফে কয়, “কালি কাংপোকপিত কেন্দ্ৰীয় চৰকাৰে মুক্ত চলাচলৰ অনুমতি দিয়াৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়... নিৰাপত্তা বাহিনীয়ে প্ৰতিবাদকাৰীসকলৰ ওপৰত অত্যধিক বল প্ৰয়োগ কৰে।” আইটিএলএফে এই ধৰ্মঘটৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন প্ৰকাশ কৰি সকলোকে একেলগে ধৰ্মঘটত যোগদান কৰিবলৈ আহ্বান জনাইছে। ইফালে, মণিপুৰ আৰক্ষীয়ে এক বিবৃতিত কয় যে প্ৰতিবাদকাৰীসকলে কেৱল শিলগুটি নিক্ষেপ কৰাই নহয়, বিভিন্ন কৌশল প্ৰয়োগ কৰি পথ অৱৰোধ কৰে। ডাঙৰ ডাঙৰ শিল পেলাই, টায়াৰ জ্বলাই, গছ কাটি বেৰিকেড নিৰ্মাণ কৰা কৰে। আৰক্ষীয়ে জনোৱা মতে, প্ৰতিবাদকাৰীৰ ভিতৰৰ পৰা নিৰাপত্তা বাহিনীক লক্ষ্য কৰি গুলীচালনা কৰা হয়, যাৰ ফলত বাহিনীয়ে প্ৰতিশোধ ল’বলৈ বাধ্য হয়। আৰক্ষীয়ে জনোৱা মতে, সংঘৰ্ষত ১৬ জন প্ৰতিবাদকাৰী আহত হোৱাৰ লগতে গুলীৰ আঘাতত এজনৰ মৃত্যু হয়। কুকি-জো সংস্থাটোৱে নিৰাপত্তাৰক্ষীৰ বিৰুদ্ধে অনৈতিক বল প্ৰয়োগৰ অভিযোগ উত্থাপন কৰে যদিও আৰক্ষীয়ে সেই অভিযোগ “সম্পূৰ্ণ ভিত্তিহীন” বুলি খাৰিজ কৰে। মন কৰিবলীয়া যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ৮ মাৰ্চৰ পৰা ৰাজ্যৰ সকলো পথতে মুক্ত চলাচলৰ নিৰ্দেশ প্ৰদান কৰাৰ পিছতে সূত্ৰপাত ঘটে এই অশান্ত পৰিস্থিতিৰ। যোৱা বছৰৰ মে’ মাহৰ পৰা ৰাজ্যত চলি থকা সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে কেইবাটাও অঞ্চলত যাতায়ত ব্যাহত হৈ পৰিছে। কিন্তু ১ মাৰ্চত অমিত শ্বাহে নিৰ্দেশ দিছিল যে নিৰ্দিষ্ট সময়ৰ ভিতৰত সকলো পথ মুকলি কৰিব লাগিব। ইয়াৰ পিছত অলপ সময়ৰ ভিতৰতে কুকি-জো সম্প্ৰদায়ৰ ভিতৰত অসন্তুষ্টি বিয়পি পৰে। মণিপুৰ ৰাজ্যিক পৰিবহণ চমুকৈ এমএছটিৰ চৰকাৰী বাছ সেৱা ৭ মাৰ্চৰ পৰা আৰম্ভ কৰিছিল চৰকাৰে। শনিবাৰে কিছুমান এমএছটি বাছ, এলপিজি টেংকাৰ, আৰু তেল টেংকাৰ নিৰ্ধাৰিত পথত চলি থকাৰ সময়তে কাংপোকপি-সেনাপতি পথত এখন এমএছটি বাছত আক্ৰমণ চলায় কুকি বিক্ষোভকাৰীয়ে। অন্যহাতে, এই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কুকি মহিলা অধিকাৰ সংগঠনে। সংগঠনটোৱে দাবী কৰা মতে, কাংপকপিৰ কাইথেলমানবি মিলিটাৰী কলনীত কেন্দ্ৰীয় বাহিনীয়ে লালগৌথাং সিংছিতক হত্যা কৰে। চৰকাৰৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰি কয় যে, "দুবছৰ ধৰি কুকি সম্প্ৰদায়ে ভয়ত জীৱন কটাবলগীয়া হৈছে, তথাপিও চৰকাৰে আমাৰ পৰিস্থিতি বুজিবলৈ সম্পূৰ্ণ উদসীনতা দেখুৱাই আহিছে।” কেডব্লিউঅ’এইচআৰে আৰু কয়, “মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়াটো কেৱল ৰাজনৈতিক কৌশল, যিটো সমস্যাৰ প্ৰকৃত সমাধান নহয়।” সংগঠনটোৱে স্পষ্টভাৱে কৈছে যে, "আমি কেৱল এটা সুকীয়া কেন্দ্ৰীয় শাসিত অঞ্চল বিচাৰো, য’ত আমাৰ নিজা বিধানসভা থাকিব। আমাৰ ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠা নোহোৱালৈকে আমাৰ সংগ্ৰাম অব্যাহত থাকিব।” ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিয়ে পুনৰ এবাৰ দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টিম ইণ্ডিয়াৰ দখলত চেম্পিয়নছ ট্ৰফীৰ

চেম্পিয়নছ ট্ৰফীৰ খিতাপ পুনৰ দখল কৰে। ১২ বছৰৰ দীঘলীয়া অপেক্ষাৰ অন্ত পেলাই ৰোহিত শৰ্মাৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে ভাৰতীয় দলটোৱে চেম্পিয়নছ ট্ৰফী লাভ কৰে। নিউজিলেণ্ডৰ অধিনায়ক মিচেল ছাণ্টনাৰে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ বাছি লৈ ভাৰতক ২৫২ ৰানৰ লক্ষ্য বান্ধি দিয়ে। এই কঠিন যুঁজখনত ভাৰতে এক সুন্দৰ আৰম্ভণি কৰিছিল। আৰম্ভণিৰে পৰাই অধিনায়ক ৰোহিত শৰ্মাই আগ্ৰাসী বেটিং কৰে। মাত্ৰ ৪১টা বলত তেওঁ অৰ্ধশতক সম্পূৰ্ণ কৰে। ভাৰতীয় দলটোৱে মাত্ৰ ৭.১ অভাৰতে ৫০ ৰানৰ সীমা অতিক্ৰম কৰে, যিটো এই প্ৰতিযোগিতাত ভাৰতৰ সৰ্বাধিক দ্ৰুততম দলৰ পঞ্চাশ। শুভমন গিল আৰু বিৰাট কোহলি সোনকালে পেভিলিয়নমুখী হোৱাৰ পাছত ৰোহিতৰ ৭৬ ৰানৰ ইনিংছৰ অৱসানে নিউজিলেণ্ডক পুনৰ মেচখনত প্ৰৱেশ কৰাৰ কিছু সুযোগ প্ৰদান কৰে। অৱশ্যে শ্ৰেয়াছ আয়াৰ-অক্ষৰ পেটেলৰ গুৰুত্বপূৰ্ণ অংশীদাৰিত্ব আৰু পিছলৈ কে এল ৰাহুল-হাৰ্দিক পাণ্ডিয়াৰ অংশীদাৰিত্বই ভাৰতক আগুৱাই লৈ যায়। শেষত ৰবীন্দ্ৰ জাদেজাই ৯ ৰানত অপৰাজিত হৈ দলটোক জয়ৰ দিশে আগুৱাই লৈ যায়। ৪৯ নং অভাৰত নিউজিলেণ্ডৰ পেচাৰ উইল অ’ৰ’ৰ্কেক চাৰি মাৰি মেচখনৰ অন্ত পেলায় জাদেজাই। ইফালে, এই জয়ৰ জৰিয়তে ভাৰতে চেম্পিয়নছ ট্ৰফী খিতাপ দখলৰ সংখ্যা ৩লৈ বৃদ্ধি কৰি অষ্ট্ৰেলিয়াৰ সৈতে সমতা ভংগ কৰি অকলেই শীৰ্ষত উপনীত হয়। ইয়াৰ পূৰ্বে ২০০২ চনত (শ্ৰীলংকাৰ সৈতে যৌথভাৱে) আৰু ২০১৩ চনত ভাৰতে এই ট্ৰফী লাভ কৰিছিল। বিশেষকৈ ভাৰতে মাত্ৰ আঠ মাহৰ পূৰ্বে টি-২০ বিশ্বকাপ জয় কৰিছিল, আৰু এইবাৰো তেওঁলোকে সেই ধাৰাবাহিকতা বজাই ৰাখিবলৈ সক্ষম হয়। ২০২৩ চনৰ বিশ্বকাপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ হাতত পৰাস্ত হোৱাৰ পাছত একেৰাহে তিনিখন আইচিচি প্ৰতিযোগিতাত ভাৰতে মাত্ৰ এবাৰহে পৰাস্ত হৈছে। এই ট্ৰফীৰে ভাৰতে আইচিচি খিতাপ দখলৰ সংখ্যা ৭লৈ বৃদ্ধি কৰে। ১৯৮৩ চনৰ বিশ্বকাপ জয় কৰাৰ পাছৰে পৰা ভাৰতে দুটা এদিনীয়া বিশ্বকাপ, তিনিটা চেম্পিয়নছ ট্ৰফী আৰু দুটা টি-২০ বিশ্বকাপ জয় কৰিবলৈ সক্ষম হৈছে। আইচিচিৰ একাধিক ট্ৰফী লাভ কৰা দ্বিতীয়জন ভাৰতীয় অধিনায়ক হিচাপে পৰিগণিত হয় ৰোহিত শৰ্মা। পূৰ্বে এই কৃতিত্ব কেৱল মহেন্দ্ৰ সিং ধোনিয়েহে অৰ্জন কৰিছিল। পুনৰবাৰ ক্ৰিকেট জগতৰ চেম্পিয়ন হিচাপে ভাৰতৰ নাম আত্মপ্ৰকাশ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# শৈশৱৰ কাঁচিয়লি ৰ'দ

মুখৰ হৈ পৰিছিল গাঁৱৰ আলিবাট। কেতিয়াবা মনে মনে ভাবো, সেইবোৰ শব্দ আজি ক'লৈ হেৰাল? নে সঁচাকৈ মোৰ কাণতহে সি আৰু নুশুনা হ'ল? শৈশৱৰ সেই দিনবোৰৰ কথা ভাবিলে যেন এখন সপোনৰ ছবি চকুৰ আগত উজলি উঠে! সেউজীয়া চাহ বাগিচাৰ মাজেৰে সৰু সৰু ভৰিৰে দৌৰা দৌৰি, নৈৰ পাৰত বহি বৰশী বোৱা, তিনিআলিৰ চাঙত উঠি আকাশখনলৈ চাই থকা, আৰু সমনীয়াৰ সৈতে ৰজা-ৰাণী, অলং-দলং খেলাৰ মাজত পাৰ হোৱা শৈশৱে আজি হেৰাই যোৱা সময়ৰ সুঁহুৰিটো পুনৰ দুওঁঠলৈ নমাই আনে। আইয়ে বাঢ়ি দিয়া ৰাতিৰেই ঠাণ্ডা ভাত কেইটা খাই স্কুললৈ ওলোৱাৰ আগতেই গাঁৱৰ ল'ৰা-ছোৱালীবোৰে বাটতে লগ লাগিছিলহি। "আজি ৰবাব টেঙাৰ ফুটবল খেলিবি নেকি?"—কোনোবাই চিঞৰ মাৰিলেই দহজনৰ চিঞৰেৰে সঁহাৰি উঠিছিল। ৰবাব টেঙা, সেই কেঁচা সুগন্ধি টেঙাৰ নাম শুনিলে আজিও জিভা লপলপাই উঠে। শুকান বাঁহৰ কাঠি দুডাল মাটিত পুতি গ'ল পোতা হিচাপে লৈ কাৰোবাৰ বাৰীৰ পৰা চিঙি অনা দহেচীয়া টেঙাটো ফুটবল হৈ পৰিছিল। খেলৰ মাজতে টেঙাটো ফাটিলে গালে মুখে চিটিকি পৰিছিল টেঙা-মিঠা ৰসবোৰ। ৰ'দজাক পুৰঠ হোৱাৰ পৰলৈকে কিমানটা যে ৰবাব টেঙাৰ শৰাধ হৈছিল!

এচাৰি ডাল হাতত লৈ আই বা পিতাইয়ে বিচাৰি নহালৈকে পথাৰতে পাৰ হৈছিল সময়। স্কুল বন্ধৰ দিনাখনৰ কথাটো ক'বই নালাগে। সিদিনা কিমান যে স্ফূৰ্তি! ধূলিময় জেপত ভৰি থকা মাৰ্বল গুটিবোৰ জেপতে জোকাৰি কোনোবা এজনে ঝুনঝুন শব্দৰে ইংগিত দিছিল- 'মাৰ্বল খেল যদি আহ'। '১ টকাত কেইটা দিবি?' -আইৰ পৰা কুটুৰি কুটুৰি অনা এক টকাটো সমনীয়াৰ হাতত তুলি দি মাৰ্বল কিনিছিলো। তাৰ পিছত সেই মাৰ্বল গুটিৰেই আৰম্ভ হৈছিল খেল। গাঁৱৰ কেঁচা আলিবাটৰ যিখিনি ঠাইৰে ঘনাই চাইকেলৰ চকা পাৰ হৈছিল, তাতে এটা লিক বহিছিল। সেই লিকতে গাঁত এটা খান্দি লৈ মাৰ্বল খেলিছিলো আমি। টুপ্ টুপ্ শব্দেৰে মাৰ্বলবোৰ ঠেলি দিয়া, কাঁচৰ গুটিবোৰৰ মাজত ৰঙীন পৃথিৱী এখন সৃষ্টি কৰা, সেই খেলত জয়ী হ'বলৈ কেৱল দক্ষতাই নহয়, প্ৰয়োজন হৈছিল ফাঁকি দিবলৈ সদা প্ৰস্তুত সমনীয়াৰ আও ভাও বুজিব পৰাকৈ চোকা নজৰো।

কিনকিনিয়া বৰষুণত কচুপাতৰ ছাটি লৈ বৰশী বোৱাৰ কথাও মনত পৰে। বাৰিষা আহিলেই খাল-নদীত মাছৰ উজান। বৰশীৰ সূতা জোকাৰ খালে যেন জীৱনটোৰ সপোনবোৰো দোদুল্যমান হৈ পৰে। ডাঙৰ ককাইদেউৰে শিকাই দিয়া বৰশী বোৱাৰ কৌশলবোৰ আজিও মনত আছে। নদীৰ পাৰত বহি থকা সময়ত পানীৰ তলত থকা জগতটোৰ কল্পনা কৰি ৰোমাঞ্চিত হৈ পৰিছিলো। মাছে বৰশীৰ সূতা টানিলে বুকুৰ ধপধপনি বাঢ়িছিল। বৰশী বোৱাটো সহজ কাম নাছিল। ঘণ্টাৰ পিছত ঘণ্টা ধৰি পানীত উপঙি থকা পুঙাটো তল যোৱালৈ অপেক্ষা কৰি থকাটো আছিল ভীষণ ধৈৰ্য্যৰ পৰীক্ষা। আজিৰ ডিজিটেল যুগত হয়তো সেই ধৈৰ্য্যৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কোনোৱেই আগ্ৰহী নহয়। পাঠশালাৰ দেওনা পাৰ কৰি এম ইত ভৰি দিয়াৰ সময়ত স্কুলৰ পৰা উভতি আহি চাহ বাগিচাৰ সেউজীয়া বাটেৰে ঘূৰি ফুৰাটো আমাৰ বাবে আছিল এক ৰহস্যময় অভিযানৰ নাম। গাত থিতাপি ল'বলৈ আৰম্ভ কৰা যৌৱনৰ প্ৰাক বেলা সমনীয়াৰ সৈতে সেই বাগিচাৰ বাটতে আমি যেন বিচাৰি পাইছিলো অনুভৱৰ অন্য এখন দুনীয়া। পৃথিৱীৰ ক'তো বিচাৰি নোপোৱা সুখানুভূতিখিনি তাতেই গজি উঠিছিল আমাৰ মনত। আজিও সেই দিনবোৰৰ স্মৃতিৰ পাতত লিৰিকি বিদাৰি চাই শিঁহৰণ অনুভৱ হয়। এক অবুজ শিঁহৰণ!

সন্ধিয়াৰ লগে লগে নিৰ্জন হৈ পৰা গাঁৱৰ তিনিআলিৰ চাঙখনলৈ যোৱাটো আমাৰ বাবে আছিল এক ৰীতি। চাঙত বহি আকাশলৈ চাই থকা সময়ত ডাৱৰবোৰক নানা চৰাই-চিৰিকতিৰ ৰূপ দি কাহিনী ৰচনা কৰিছিলো। কোনোবাই কৈছিল, "চা চোন, ডাৱৰখিনি এটা হাতীৰ দৰে!" আন এজনে কৈ উঠিছিল, "নাই, সেয়া এজন ৰজাৰ মুকুট " চোতালত আইতাৰ কোলাত শুই আকাশলৈ চাই থাকোতেই আইতাই আঙুলিয়াই দেখুৱাইছিল, "সেইখন ৰজাৰ বাগিচা, সৌটো ৰজাৰ বগা হাতী... সৌৱা ৰাণীৰ পানী অনা বাট..!" সেই প্ৰসূত কল্পনাৰ পৰাই আমাৰো কল্পনাৰ ডাৱৰে বিশ্বজোৰা উৰণ মাৰিছিল। সন্ধিয়া হ'লেই গাঁৱৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ চাইকেলৰ টায়াৰৰ শব্দ আৰু হাঁহিৰ ৰোল উঠিছিল। কেতিয়াবা 'গ'ল্ডেন' খেলিছিলো, কেতিয়াবা 'বি'টি'। ৰাতিৰ ভাত খাই উঠি পিছ চোতালত জোনাকী পৰুৱা ধৰাৰ খেলতো আমাৰ এক উল্লাস আছিল। জোনাকবোৰ হাতৰ আঙুলিত সোমাই অহাৰ অনুভূতিটো যেন জীৱনৰ প্ৰথম জোনাকী আভা আছিল।

'আজি স্কুল বন্ধ, গোলাপ ফুলৰ গোন্ধ', 'আজি স্কুল ছুটি, গোলাপ ফুলৰ গুটি'- বন্ধ মানেই আমাৰ বাবে দিনটোৰ আনন্দ, বাধাহীন এটা দিন। লাগিলে সেয়া গণৰাজ্য দিৱস হওক বা শিশু দিৱস অথবা দেওবাৰ... স্কুল বন্ধ মানেই যেন আছিল আমাৰ মনৰ শিকলি ছিঙি চুচুৰ্মৈ হৈ পৰা এটা দিন। পুৱাৰে পৰাই আমাৰ ব্যস্ততা বাঢ়িছিল সিদিনা। দুপৰীয়াৰ ভাত খাবলৈ বুলি বিচাৰি ফুৰিবলগীয়া হৈছিল আইয়ে। গোটেই গাঁওখনৰে সমনীয়াসকল লগ লৈ ৰাইজ-বংশ খেলিছিলো। আনহাতে, 'লুকা-ভাকু' খেলত ধান খেৰৰ মাজত লুকাই থকা সময়ত বুকুৰ নিজেই নিজৰ মুখত সোপা দি অতি সন্তৰ্পণে লৈছিলো উশাহ-নিশাহ, জানোচা শুনা পায়েই! শীতৰ দিনত গাঁৱৰ মেলাত "কুকুৰা যুঁজ"ৰ ধেমালি চাবলৈ মানুহৰ জুম বান্ধিছিল। পথাৰৰ মাজত সজোৱা চাংৰ ওপৰত কুকুৰাবোৰে পাখি মেলি যুঁজ দিয়া দৃশ্যবোৰ আছিল উত্তেজনায় ভৰা। যদিও আজিৰ দিনত এই ৰীতি লোপ পাইছে, তেতিয়া সেই যুঁজ আছিল টিভি, মোবাইলবিহীন আমাৰ জগতৰ অন্য এক মনোৰঞ্জনৰ মাধ্যম।

হেমন্তৰ ৰ'দজাক মাটিত উবুৰি খাই পৰা আবেলিটোত দাই নিয়া পথাৰখনত সমনীয়াৰ সৈতে কাবডী খেলিছিলো। "কাবাডী-কাবাডী!" বুলি উশাহ বন্ধ ৰাখি দৌৰি যোৱা, বিপক্ষ দলটোক স্পৰ্শ কৰি উভতি অহাৰ সেই খেলত শাৰীৰিক বলৰ লগতে বুদ্ধিৰো প্ৰয়োজন হৈছিল। উদং পথাৰত কাবাডীত জিকা মানেই আছিল আমাৰ বাবে জীৱনৰ এক চৰম সফলতা। ৰ'দে পোৰা গালবোৰ আৰু কপালত বিৰিঙি উঠা ঘাম মচি মচি ঘৰলৈ ওভতাৰ পৰত ভয় এটাই আছিল- পিতাই যদি আজি সোনকালে ঘৰলৈ উভতিছে, তেন্তে আজি আৰু নিস্তাৰ নাই!

অ' মনত পৰিছে... ডাঙৰ ককাইদেউৰে তাহানি ধনু এখন সাজি দিছিল মোক। কলপাতলৈ লক্ষ্য কৰি ধনু পোনাওতে তৰ্জনী আঙুলিৰ মাঙি ছাল ছিগিছিল। বাটুল গুটিৰে বাৰীৰ পকা আম সৰাবলৈ যাওতে লক্ষ্যভ্ৰষ্ট শিলে গৈ খুন্দা মাৰিছিল গৃহস্থৰ টিনৰ চালিত। তাৰ পিছতে 'কোন ঐ সেইজন, ৰহ গৈছো' বুলি বুলি ওলাই গৃহস্থৰ মাত শুনি পকা আমৰ লোভ সামৰি ভয়তে পলাই পত্ৰং দিবলগীয়া হৈছিল।

আজি যেতিয়া চকু মুদিলে সেইবোৰ দিনৰ ছবিবোৰ উজাগৰ হয়, তেতিয়া বুজা যায়—জীৱনৰ আটাইতকৈ মূল্যবান সম্পদটো আছিল সেই নিৰ্দোষ হাঁহি, সমনীয়াৰ সৈতে ভাগ বতৰা কৰা সুখ, আৰু প্ৰকৃতিৰ সৈতে থকা নিবিড় সম্পৰ্ক। আজিৰ ডাঙৰ হৈ পৰা চকুবোৰে সেই ৰংবোৰ আধাখিনিহে দেখে। বাকীখিনি ৰং তাতেই ৰৈ গ'ল, সেউজীয়া চাহ বাগিচা, ৰবাব টেঙাৰ ফুটবল, আৰু তিনিআলিৰ চাঙৰ ছাঁয়াত। কেতিয়াবা ভাবো, যদি সময়যন্ত্ৰটো ঘূৰাই পকাব পাৰিলোঁহেঁতেন...। পুনৰ এবাৰ ৰবাব টেঙাৰ ফুটবল খেলিবলৈ উভতি যাব পৰা হ'লে, পুনৰ এবাৰ বৰশী বোৱাৰ সময়ত নৈৰ পাৰত গৈ বহিব পোৱা হ'লে! নাই, অতীতক ঘূৰাই অনা সম্ভৱ নহয়। কিন্তু স্মৃতিৰ মণিকোঠাটোত সঞ্চিত হৈ থকা সেই দিনবোৰৰ উত্তাপে আজিও মোক উৎসাহ আৰু আশাৰে সমৃদ্ধ কৰি ৰাখিছে। গাঁৱৰ মাটি আৰু মানুহৰ মাজত পাৰ হোৱা সেই শৈশৱৰ স্মৃতি এতিয়াও মনৰ মাজত সজীৱ হৈয়েই আছে।

জেপ ভৰি থকা মাৰ্বল গুটিৰ থুন থুন শব্দৰে নামি অহা সন্ধিয়াটো, কেঁচা আলিয়েদি সমনীয়াৰ সৈতে কৰা সেই ল'ৰা ঢপৰা অথবা শালিকী পখীৰ বাহ চুৰি কৰি খেদা খোৱা দিনবোৰ-কোনোটাৰে পুনৰাবৃত্তি নহ'ব। কিন্তু প্ৰতিটো স্মৃতিয়ে যেন নক্ষত্ৰৰ আলোকেৰে জিলিকি আছে হৃদয়ৰ আকাশত। সেই স্মৃতিয়েই মোৰ শৈশৱক সজীৱ কৰি ৰাখিছে। আজিৰ এই যান্ত্ৰিক জগতত অতীতৰ বহু স্মৃতিয়েই আজি ধূসৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত এবছুৰ ৫৭ সংখ্যক

৫৭ সংখ্যক কেন্দ্ৰীয় অধিবেশন। আজি এবছুৰ মুখ্য কাৰ্যালয় কোকৰাঝাৰৰ বড়োফা হাউচত অনুষ্ঠিত হোৱা এক সংবাদমেলত এই তথ্য সদৰি কৰি এবছুৰ সভাপতি দ্বীপেন বড়োৱে অধিবেশনখনি সৰ্বতোপ্ৰকাৰে সফল কৰি তুলিবলৈ যাৱতীয় প্ৰচেষ্ঠা গ্ৰহণ কৰা হৈছে আৰু অধিবেশনৰ প্ৰস্তুতিৰ কাম পূৰ্ণ গতিত চলি আছে বুলি মন্তব্য কৰিছে। সংবাদমেলত দ্বীপেন বড়োৱে সদৰি কৰা মতে কাৰ্যসূচী অনুসৰি অহা ১৩ মাৰ্চৰ দিনাখন ২২ খন জিলাৰ লগতে ২২০খন আঞ্চলিক কমিটি, কলেজ ইউনিট, বেংগল ৰাজ্যিক ইউনিট, দিল্লী ইউনিট, ছিলং ইউনিট, বড়োলেণ্ড বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু বিভিন্ন ঠাইৰ পৰা সাত হাজাৰ প্ৰতিনিধি আৰু পৰ্যবেক্ষকে অধিবেশনত নাম পঞ্জীয়ন কৰিব। ইয়াৰ পিছতে জৌহৌলাউ সৌমল্লা বসুমতাৰী ভলীবল প্ৰতিযোগিতা, শ্বহীদ গাইডে-হেলেনা বসুমতাৰী কাবাডী প্ৰতিযোগিতা, বিভিন্ন খেল-সাহিত্য-সংস্কৃতি প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পিছত সন্ধিয়া প্ৰথম কাৰ্যনিৰ্বাহক বৈঠক আৰু শান্তিৰ বাবে বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৪ মাৰ্চৰ দিনা ৰাতিপুৱা এবছুৰ পতাকা উত্তোলন, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলী জ্ঞাপন, শ্বহীদলৈ শ্ৰদ্ধাঞ্জলী কাৰ্যসূচী ৰূপায়িত হ'ব। ইয়াৰ পিছতে পদ্মশ্ৰী বঁটাপ্ৰাপক প্ৰফেচৰ ড° অনিল বড়ো, সাহিত্য অকাডেমী বঁটাপ্ৰাপক ক্ৰমে অৰণ ৰাজা, ভাৰ্জিন জেকোভা, উত্তৰা বসুমতাৰী, ২০২৪ চনত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা লাভ কৰা প্ৰাৰ্থীসকলৰ লগতে আন কেবাগৰাকী বিশিষ্ট ব্যক্তি, ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাব এবছুৱে। অধেবেশনৰ দ্বিতীয় দিনা অৰ্থাৎ ১৪ মাৰ্চত শিক্ষা আৰু যুৱ সমাৰোহ শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে যত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োও উপস্থিত থাকিব। আনহাতে উক্ত দিনাই ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত এক আলোচনা অনুষ্ঠিত হ'ব যত অংশ ল'ব বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেন বড়ো, আছুৰ মুখ্য উপদেষ্ঠা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° সুবুং বসুমতাৰীয়ে। অধিবেশনৰ তৃতীয়দিনা "বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম আৰু বড়ো জনগোষ্ঠীক লৈ সপোন" সন্দৰ্ভত এক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব য'ত অতিথি হিচাপে উপস্থিত থাকিব ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো। উক্ত অনুষ্ঠানতে কে'বাখনো গ্ৰন্থ প্ৰকাশিত হ'ব। আনহাতে শান্তি-সম্প্ৰীতি আৰু সমৃদ্ধি সন্দৰ্ভতো এক আলোচনা অনুষ্ঠিত হ'ব য'ত অতিথি হিচাপে উপস্থিত থাকিব হাৰিয়ানাৰ মহৰ্ষি বাল্মিকী সংস্কৃত বিশ্ববিদ্যালৰ উপাচাৰ্য প্ৰফেচৰ ৰমেশ ভৰদ্বাজ, সদৌ অসম ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক আদিত্য খাখলাৰী, আছুৰ সভাপৰি উৎপল শৰ্মা, বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো। আনহাতে অধিবেশনৰ অন্তিমদিনা অৰ্থাৎ ১৬ মাৰ্চত অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। ইয়াৰোপৰি মুকলি সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী, লোকসভাৰ সাংসদ ক্ৰমে দিলীপ শইকীয়া, জয়ন্ত বসুমতাৰী, মন্ত্ৰী ক্ৰমে অতুল বৰা, অশিক সিংহল, কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, বড়ো-কছাৰী কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য পাৰিষদ মিহিনেশ্বৰ বসুমতাৰী আদিকে ধৰি ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী সাংসদ উপস্থিত থাকিব। এবছুৰ ৫৭তম কেন্দ্ৰীয় অধিবেশনৰ মুকলি সভাত সভাত দুই লাখ লোকৰ সমাগম ঘটিব বুলি এবছুৰ সভাপতি দ্বীপেন বড়োৱে সংবাদমেলত সদৰী কৰিছে। ইপিনে এবছুৰ অধিবেশনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনক কেন্দ্ৰ কৰি আজি ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে দোতমাৰ বড়োফা পথাৰত উপস্থিত হৈ আইন-শৃংখলাজনিত পৰিস্থিতিৰ বুজ লয় আৰু জিলা আৰক্ষী প্ৰশাসনৰ সতে বৈঠকত অংশগ্ৰহণ কৰে। আনহাতে কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়েও আজি দোতমাৰ বড়োফা পথাৰত উপস্থিত হৈ প্ৰস্তুতিৰ পৰ্যবেক্ষণ কৰে আৰু এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিবেশন সফল হ'ব বুলি মন্তব্য কৰে। এবছুৰ এই কেন্দ্ৰীয় অধিৱেশনক লৈ উচ্ছ্বাসিত হৈ পৰিছে কোকৰাঝাৰবাসী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৃহযুদ্ধত জৰ্জৰ ছিৰিয়া, সহস্ৰাধিকৰ

বাহিনীৰ মাজত সৃষ্টি হোৱা সংঘৰ্ষত দেশখনত নিহত হৈছে এহাজাৰৰো অধিক লোক। বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা এই ৰক্তক্ষয়ী সংঘৰ্ষই সমগ্ৰ দেশতে আতংকৰ সৃষ্টি কৰিছে। সূত্ৰ অনুসৰি বৰ্তমান চৰকাৰক সমৰ্থন কৰা সশস্ত্ৰ বাহিনীয়ে প্ৰতিশোধৰ স্বৰূপে আলাৱী সম্প্ৰদায়ক আক্ৰমণ কৰে। এই সম্প্ৰদায়টো দীৰ্ঘদিন ধৰি আছাদৰ দুৰ্গ হিচাপে পৰিচিত। নিৰাপত্তা বাহিনীৰ কঠোৰ হস্তক্ষেপৰ পিছত চৰকাৰে সংঘাতক আপাততঃ কিছু নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছে যদিও পৰিস্থিতি এতিয়াও উত্তেজিত হৈ আছে। হিংসা বিয়পি পৰা উপকূলীয় অঞ্চলত সকলো পথ বন্ধ কৰি দিয়া হৈছে।ব্ৰিটেইনস্থিত ছিৰিয়ান মানৱ অধিকাৰ মানৱ নিৰীক্ষণ কেন্দ্ৰই জনোৱা মতে, এই যুদ্ধত ৭৪৫ জন সাধাৰণ নাগৰিক নিহত হৈছে, ইয়াৰে অধিকাংশই নিকটৰ পৰা বন্দুকৰ গুলীত নিহত হৈছে। ইয়াৰ উপৰিও চৰকাৰী বাহিনীৰ ১২৫ জন সদস্য আৰু আছাদ সমৰ্থক সশস্ত্ৰ সংগঠনৰ ১৪৮ জন সদস্যও নিহত হয়। উল্লেখ্য যে, বিগত তিনিমাহত ছিৰিয়াত নতুন চৰকাৰ ক্ষমতালৈ অহাৰ পিছৰে পৰা আলাউই সম্প্ৰদায়টো একাধিক আক্ৰমণৰ লক্ষ্য হৈ পৰিছে। বাছাৰ আল আছাদৰ শাসন কালত এই সম্প্ৰদায়ে সামৰিক বাহিনীকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ চৰকাৰী পদবীত আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু নতুন শাসন ব্যৱস্থা ক্ষমতালৈ অহাৰ পিছৰে পৰা তেওঁলোকৰ ওপৰত আক্ৰমণ চলি আহিছে। সংঘৰ্ষৰ সময়ত লাটাকিয়াৰ কেইবাটাও অঞ্চলত বিদ্যুৎ আৰু খোৱাপানীৰ সেৱা বন্ধ হৈ পৰিছে। স্থানীয় বাসিন্দাসকলে অভিযোগ কৰিছে যে অপৰাধীয়ে আলাৱী প্ৰধান গাঁৱত প্ৰৱেশ কৰি লুটপাত আৰু ঘৰ জ্বলাই দিছে। লেবাননৰ আলাৱী সম্প্ৰদায়ৰ নেতা হাইদৰ নাছেৰে এক বিবৃতিত এই চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে ছিৰিয়াৰ পৰা বহু আলাৱী লোকে নিজৰ জীৱন ৰক্ষাৰ বাবে লেবাননলৈ পলায়ন কৰিছে। লক্ষ্যণীয় যে, ছিৰিয়াৰ হিংসাৰ বিভীষিকাত কঁপিছে পৃথিৱী। প্ৰত্যক্ষদৰ্শীৰ তথ্য অনুসৰি আলাৱী সম্প্ৰদায়ৰ বহু মহিলাক উলংগ কৰি ৰাজপথত পেৰেড কৰি পিছত গুলীয়াই হত্যা কৰা হৈছে। আনকি ছিৰিয়াৰ অন্যতম ক্ষতিগ্ৰস্ত অঞ্চল বানিয়াছ চহৰতো ৰাজপথ আৰু ছাদত শাৰী শাৰীকৈ মৃতদেহ পৰি থকা দেখা গৈছে। অভিযোগ অনুসৰি, সাধাৰণ মানুহক মৃতদেহ সৎকাৰ কৰিবলৈও দিয়া নাই দুষ্কৃতিকাৰীয়ে। দেশখনত সংঘটিত এনে ভয়াবহ গৃহযুদ্ধ সন্দৰ্ভত ছিৰিয়া চৰকাৰে এতিয়াও কোনো আনুষ্ঠানিক বক্তব্য দিয়া নাই। এই ঘটনাই আন্তঃৰাষ্ট্ৰীয় মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ফিৎৰাৰ পৰিমাণ ৮৬ টকা নিৰ্ধাৰণ

**ই-সংবাদ, মঙলদৈ, ৯ মাৰ্চঃ** আজি মঙলদৈত অসম ছুন্নী মাদ্ৰাছা শিক্ষা ব'ৰ্ডৰ মুখ্য কাৰ্যালয়ত কে'বাটাও ইছলামিক সংস্থাৰ বিষয়-ববীয়া উমৈহতীয়া বৈঠকত ২০২৫ বৰ্ষৰ পবিত্ৰ ফিৎৰাৰ মূল্য নিৰ্ধাৰণ কৰে। বৈঠকত সৰ্বসন্মতিক্ৰমে ২০২৫ বৰ্ষৰ ৰমজানৰ ফিৎৰা ২ কিলো ৪৭ গ্ৰাম (আধা চাঁ) আটাৰ নূন্যতম মূল্য ৮৬ টকা নিৰ্ধাৰণ কৰা হয়। এই হিচাপে সমূহ অসমবাসী ইছলামধৰ্মীক ফিৎৰা আদায় দিবলৈ সংস্থা কেইটাই আহ্বান জনায়। বৈঠকত অসম ছুন্নী মাদ্ৰাছা শিক্ষা ব'ৰ্ড, আহলে ছুন্নত ৱাল জামাআত, অসম, সদৌ অসম উলামা-ই-আহলে ছুন্নত কাউন্সিল, জামাআ'তে-ৰাজা-ই-মুস্তাফা, অসম, ইছলামিক ইডুকেশ্বনেল ব'ৰ্ড অব ইণ্ডিয়া, অসম শাখা, ছুন্নী ষ্টুডেন্ট ফেডাৰেশ্বন, অসম, ৰাজা ফাউণ্ডেশ্যন, অসম, যুৱ আহলে ছুন্নত, অসম, উলামায়ে আহলে ছুন্নত কাউন্সিল, দৰঙৰ মুফতীয়ানে কিৰাম, উলামায়ে কিৰামৰ বিষয়-ববীয়া উপস্থিত থাকে। সংস্থা কেইটাই পবিত্ৰ ৰমজান মাহ উপলক্ষে সমগ্ৰ অসমবাসী ৰাইজলৈ শুভেচ্ছা জনাইছে আৰু বিশ্বশান্তি কামনা কৰিছে।

# বিশিষ্ট উদ্যোগপতি মধুকান্ত শৰ্মাৰ মৃত্যু

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৯ মাৰ্চঃ** আমিনগাঁৱৰ বিশিষ্ট উদ্যোগপতি তথা সমাজসেৱক মধুকান্ত শৰ্মা আৰু নাই। দেওবাৰে আমিনগাঁৱৰ নাৰায়ণা ছুপাৰ স্পেচিয়েলিটি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে মধুকান্ত শৰ্মাই। তেখেতৰ মৃত্যুৰ খবৰে সমগ্ৰ অঞ্চলজুৰি শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। আমিনগাঁও অঞ্চলৰ ব্যৱসায়িক ক্ষেত্ৰৰ অন্যতম কাণ্ডাৰীজনৰ মৃত্যুৰ খবৰ জানিব পাৰি অলেখ গুণমুগ্ধ আহি তেখেতৰ বাসগৃহত ভিৰ কৰি সকলোৱে তেখেতলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰয়াত শৰ্মা কেৱল যে বিশিষ্ট ব্যৱসায়ী আছিল তেনে নহয়। তেওঁ এগৰাকী সুদক্ষ পাইলট আছিল, আমিনগাঁৱলৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা প্ৰথমগৰাকী ব্যক্তি তথা বাটকটীয়া, আমিনগাঁৱলৈ প্ৰথম টিউবৱেলৰ মাধ্যমেৰে ভু-গৰ্ভৰপৰা পানী যোগান ধৰি অঞ্চলটোলৈ খোৱাপানীৰ সু-ব্যৱস্থা কৰিছিল তেওঁ। তদুপৰি শৰাইঘাট হাইস্কুল স্থাপনত বিশেষ ভূমিকা আগবঢ়োৱাৰ লগতে বিদ্যালয়খন স্থাপনৰ পিছত সেই বিদ্যালয়খনত শিক্ষকতা কৰা সেই সময়ৰ শিক্ষকসকলক তেওঁ নিজৰ জেপৰ ধনেৰে দুবছৰপৰ্যন্ত মাননি প্ৰদান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। সমান্তৰালকৈ আমিনগাঁও অঞ্চলৰ দুখীয়া-নিচলা ব্যক্তিসকলৰ বিপদ-আপদ, বেমাৰ-আজাৰ, সকাম-নিকাম, বিয়া-বাৰু সকলোতে সহায়ৰ হাত আগবঢ়াই সকলোৰে হৃদয়ত স্থান লাভ কৰিছিল। মৃত্যুৰ সময়ত ৭৯ বছৰ গৰকা মধুকান্ত শৰ্মাই তেওঁৰ পত্নী, একমাত্ৰ পুত্ৰৰ লগতে নাতিক এই সংসাৰত এৰি থৈ যায়।

## পাৰে যদি তাইক অকণমান সহায় কৰক, পৰিয়ালৰ কাতৰ আহ্বান

# আৰক্ষী বিষয়া হ'ব খোজা গুৱাহাটীৰ মণিকা এতিয়া শয্যাশায়ী

**ই-সংবাদ,গুৱাহাটী, ৯ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰী পাব্লিকহেলথ পূৰ্বাঞ্চল নগৰৰ বাসিন্দা ২৩ বছৰীয়া মেধাৱী ছাত্ৰী মণিকা বৰ্মনে হাস্পতালৰ বিছনাত মৃত্যুৰ সৈতে যুঁজ দিছে। এগৰাকী আৰক্ষী বিষয়া হোৱাৰ সপোন দেখা মণিকাৰ দুয়োটা কিডনী বিকল হৈ হাস্পতালৰ বিছনাত কৰুণ সময় পাৰ কৰিছে। বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। মণিকাৰ পৰিয়াল দৰিদ্ৰ হোৱাৰ ফলত ৰাইজৰ সহায় বিচাৰিছে। মণিকাৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় ধনৰ পৰিমাণ বৃহৎ। মণিকাই আইএএছ একাডেমীত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত বহিবলৈ কোচিং কৰি আছিল। এগৰাকী আৰক্ষী বিষয়া হোৱাৰ সপোন দেখা যুৱতীগৰাকীৰ জীৱন এতিয়া সংকটাপন্ন। তেওঁৰ দুয়োটা কিডনী বিকল হৈ পৰাৰ পিছত তেওঁক কলিকতাৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ চিকিৎসালয়লৈ নিয়া হৈছিল। কিন্তু চিকিৎসকে তাত ২০ৰ পৰা ৩০ লাখ টকাৰ প্ৰয়োজন হ'ব বুলি কোৱাত মণিকাৰ পিতৃ-মাতৃ চিন্তিত হৈ পৰিছে। মণিকাৰ পিতৃ নৃপেন বৰ্মন এজন সাধাৰণ পাণ-তামোলৰ দোকানী। যাৰ জড়িয়তে পৰিয়ালটোৱে জীৱন নিৰ্বাহ কৰি আছিল। এনে এটা পৰিয়ালৰ বাবে ২০ৰ পৰা ৩০ লাখ টকা বৃহৎ। মণিকাৰ পৰিয়ালটোৱে এতিয়া ৰাইজৰ সহায় বিচাৰিছে। তেওঁলোকে আশা কৰিছে যে দয়ালু মানুহে তেওঁলোকৰ এই দুৰ্যোগময় সময়ত সহায়ৰ হাত আগবঢ়াই মণিকাৰ জীৱন ৰক্ষা কৰিব। মণিকাৰ চিকিৎসাৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাৰ ইচ্ছুক



ব্যক্তিসকলে তলত দিয়া বেংক একাউন্টত অৱদান আগবঢ়াব পাৰিব। মণিকা বৰ্মনৰ নামত থকা বেংক একাউন্টৰ নম্বৰ 1861101017874, IFSC-CNRB0001861। সৰ্বহাৰা পৰিয়ালটোৱে সকলোৰে ওচৰত অনুৰোধ জনাইছে যে তেওঁলোকৰ এই সংকটময় সময়ত সহায়ৰ হাত আগবঢ়াই মণিকাৰ জীৱন ৰক্ষা কৰক। মণিকাৰ সপোন পূৰণ হোৱাৰ আগতেই যাতে তেওঁৰ জীৱন নুমাই নাযায়, তাৰ বাবে সকলোৱে সহায় কৰক।

# মহানগৰ আৰক্ষীক চোৰৰ চেলেঞ্জ

**ই-সংবাদ, গুৱাহাটী, ৯ মাৰ্চঃ** মহানগৰ আৰক্ষক চোৰৰ চেলেঞ্জ কৰিছে। দিছপুৰীয়া আৰক্ষী থানাৰ পৰা কিছু নিলগত তথা মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসৰ সন্মুখত অৱস্থিত তথ্য আৰু জনসংযোগ কাৰ্যালয়ত চোৰে তাণ্ডৱ চলাইছে। এই ঘটনাই আৰক্ষীৰ নিৰাপত্তাৰক্ষীক লৈ প্ৰশ্নৰ উঠিছে। দিছপুৰৰ বিধায়ক আৱাস চৌহদৰ সমীপত অৱস্থিত তথ্য আৰু জনসংযোগ কাৰ্যালয়ত চোৰে প্ৰৱেশ কৰে। চোৰে কাৰ্যালয়ৰ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰে। এই কাৰ্যালয়টো মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসৰ সন্মুখত অৱস্থিত, যাৰ চৌহদত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে গিজগিজাই থাকে। এই ভিআইআপি জ'নত চোৰে কেনেকৈ প্ৰৱেশ কৰিবলৈ সক্ষম হ'ল, সেই বিষয়ে সকলোকে আচৰিত কৰিছে। চোৰে কাৰ্যালয়ত প্ৰৱেশ কৰি কি নিবলৈ আহিছিল, সেই বিষয়ে স্পষ্ট তথ্য এতিয়াও পোৱা হোৱা নাই। তথ্য আৰু জনসংযোগ কাৰ্যালয়ত বিভিন্ন গুৰুত্বপূৰ্ণ কাগজ-পত্ৰ, যন্ত্ৰ-পাতি আদি থাকে। চোৰে এইবোৰৰ কোনো এটা নিবলৈ আহিছিল নে আন কোনো উদ্দেশ্য আছিল, সেই বিষয়ে তদন্ত চলাইছে আৰক্ষী। ঘটনাৰ পিছত আৰক্ষীয়ে জোৰদাৰ তদন্ত ব্যৱস্থা ৰাখিছে। চোৰক বিচাৰি উলিয়াবলৈ দিছপুৰ আৰক্ষী তৎপৰ হৈছে। আৰক্ষীৰ উচ্চপদস্থ বিষয়াই ঘটনাক গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰিছে।
এই ঘটনাই সাধাৰণ মানুহক চিন্তিত কৰিছে। সাধাৰণ মানুহৰ সা-সম্পত্তিক নিৰাপত্তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

# শ্ৰী শ্ৰী দেৱদামোদৰ দেৱৰ ৫৩৭ সংখ্যক আবিৰ্ভাৱ তিথি পালন

**ই-সংবাদ, ৯ মাৰ্চ, গুৱাহাটীঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি গুৱাহাটী মহানগৰীতো শ্ৰী শ্ৰী দেৱদামোদৰ দেৱৰ ৫৩৭ সংখ্যক আবিৰ্ভাৱ তিথি পালন কৰা হয়। সদৌ অসম দেৱদামোদৰ সংঘৰ উদ্যোগত আৰু কামৰূপ জিলা দেৱদামোদৰ সংঘৰ সহযোগত গুৱাহাটী মহানগৰীৰ পল্টনবজাৰ চলাবিলপাৰস্থিত সদৌ অসম দেৱদামোদৰ সংঘৰ মুখ্য কাৰ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে আবিৰ্ভাৱ তিথি পালন কৰা হয়। পতাকা উত্তোলন, গুৰুজনাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ, শোভাযাত্ৰা, হোম, গুৰুলীলা পাঠ, আয়তীৰ নাম প্ৰসংগ অনুষ্ঠিত হয়। সদৌ অসম দেৱদামোদৰ সংঘৰ সভাপতি ৰামচৰণ ভড়ালীৰ সভাপতিত্বত এখন ধৰ্মালোচনী সভাও অনুষ্ঠিত হয়। মহাপুৰুষগৰাকীৰ আবিৰ্ভাৱ তিথিত অতিথি হিচাপে উপস্থিত থাকে দামোদৰ ৰত্ন বঁটা প্ৰাপক নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, সদৌ অসম দেৱদামোদৰ সংঘৰ প্ৰধান সম্পাদক মনোৰঞ্জন গোস্বামী, বিশিষ্ট গৱেষক-প্ৰাক্তন উপায়ুক্ত কনক চন্দ্ৰ শৰ্মা, কনক শৰ্মা শিৱ প্ৰসাদ। আজিৰ এই পবিত্ৰ দিনটোতে সদৌ অসম দেৱদামোদৰ সংঘৰ মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখ্য যে, গুৰুজনাই নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্যখনত ৩৫৫খন সত্ৰ আছে।

## বৰডুমচাৰপৰা এটা চোৰাং চিকাৰীক আটক

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৯ মাৰ্চঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত বৰডুমচাৰ কৰিয়াজানৰপৰা এটা চোৰাং চিকাৰী আটক কৰিছে বনৰক্ষীয়ে। পেঙেৰী খাটাংপানী আঞ্চলিক বন কাৰ্যালয়ৰ বন বিষয়া ইনচাৰ্জ(ৰেঞ্জাৰ) শ্ৰৱণ শইকীয়াৰ নেতৃত্বত চলা অভিযানত পাস্কেল ভেংৰা নামৰ চোৰাং চিকাৰীটোক আটক কৰা হয়। চোৰাং চিকাৰীটোৰপৰা মাটিত পুতি থোৱা অৱস্থাত বনৰীয়া হাতীৰ দুটাকৈ দাঁত উদ্ধাৰ কৰা হয়। চোৰাং চিকাৰীটো বৰডুমচাৰ কৰিয়াজান মেলটিবি বস্তিৰ পাস্কেল ভেংৰা বুলি জানিব পৰা গৈছে। পাস্কেল বেংৰাই দীৰ্ঘদিনৰপৰা চোৰাং চিকাৰৰ লগত জড়িত আছিল বুলি জানিব পৰা গৈছে।

## চামতাত ৭২সংখ্যক পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনৰ অস্থায়ী কাৰ্য্যালয়ৰ উদ্বোধন

**ই-সংবাদ, চামতা, ৯ মাৰ্চঃ** নলবাৰী জিলাৰ চামতাত আজি অসমৰ দ্বিতীয়খন মঞ্চ বিহু পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনৰ এইবেলি ৭২ সংখ্যক ৰঙালী বিহুৰ এটি অস্থায়ী কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। কাৰ্যালয়টো উদ্বোধন কৰে পশ্চিম নলবাৰী ৰাঙালী বিহু সন্মিলনৰ সভাপতি যতীন শৰ্মাই। বিহু সন্মিলনৰ মুখ্য সম্পাদক ৰাজুমণি দাসে আতধৰা কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত সন্মিলনৰ কাৰ্য্যকৰী সভাপতি পংকজ বৰ্মন, পৰেশ চক্ৰৱৰ্তী, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সম্পাদক বিকাশ ভট্টাচাৰ্য্য, যুটীয়া সম্পাদক, কুলেন্দ্ৰ তালুকদাৰ, ৰাণা তালুকদাৰ, যোগেন তালুকদাৰ, কিশোৰ তালুকদাৰ, বিনয় দত্ত, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ কাৰ্যকৰী সভাপতি অপূৰ্ব বৰ্মন, সমাজকৰ্মী ৰমণী বৰ্মন, গৌতম হালৈ, ৰানু বৰ্মন, বলেন তালুকদাৰ, অজিত বৰ্মন, অমল বৰ্মনকে আদিকৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। চামতা বালিপথাৰৰ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আনবাৰৰ দৰে এইবাৰো ১, ৪, ৫ আৰু ৬ ব'হাগত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ৭২ সংখ্যক পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলন। পতাকা উত্তোলন, খেল-ধেমালি, কুইজ, চিত্ৰাংকন, একক নৃত্য প্ৰতিযোগিতা, সাংস্কৃতিক শোভাযাত্ৰাৰ উপৰিও সদৌ অসমভিত্তিত প্ৰাইজমাণি মুকলি বিহু প্ৰতিযোগিতা আৰু ২০ এপ্ৰিলৰ নিশাৰ বিশেষ সাংস্কৃতিক কাৰ্যসূচীত জনপ্ৰিয় কণ্ঠশিল্পী শংকুৰাজ কোঁৱৰে নিশাটো সুৰেৰে জিপাল কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## উত্তৰ বড়বিল সাৰ্বজনীন শ্ৰীশ্ৰী ৰাধা-কৃষ্ণ মন্দিৰত ৪৬ সংখ্যক নাম-কীৰ্তন মহোৎসৱৰ শুভাৰম্ভ

**ই-সংবাদ, হাওৰাঘাট, ৯ মাৰ্চঃ** হৰিনাম কীৰ্তনেৰে মুখৰিত ৰাধা-কৃষ্ণ মন্দিৰ। বিগত বৰ্ষৰ দৰে এইবাৰো কাৰ্বি আংলং জিলাৰ উত্তৰ বড়বিলত অৱস্থিত শ্ৰীশ্ৰী ৰাধা-কৃষ্ণ মন্দিৰত সাৰ্বজনীন ৪৬ সংখ্যক ৮৮ প্ৰহৰ নাম-কীৰ্তন আৰু মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। আজিৰেপৰা অবিৰতভাৱে ১৯ মাৰ্চলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব নাম-কীৰ্তন মহোৎসৱ। কাৰ্যসূচী অনুসৰি সন্ধিয়া বিশ্বশান্তিৰ বাবে ধৰ্মীয় মহামন্ত্ৰৰে সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ কৰাৰ উপৰি তোপধ্বনি, অধিবাস, কীৰ্তন আৰু গংগা আহ্বান আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতেই কীৰ্তন মহোৎসৱৰ কাৰ্য্যালয়ৰ উদ্বোধন কৰে ব্ৰজলাল চক্ৰৱৰ্তীয়ে। তেখেতৰ লগত সংগ দিয়ে ৰতন চক্ৰৱৰ্ত্তী আৰু কাজল চক্ৰৱৰ্ত্তীয়ে। আনহাতে, ১১ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৰিনাম-কীৰ্তনভাগত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সমূহ ভক্তিপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰে আয়োজক সমিতিয়ে। বিশ্বশান্তি আৰু জীৱকূলৰ মংগলৰ অৰ্থে আয়োজিত এই হৰিনাম কীৰ্তন-শ্ৰৱণ কৰিবলৈ দূৰদূৰণিৰপৰা ভক্তৰ সমাগম ঘটিব বুলি জানিব দিয়ে। ইপিনে, নাম-কীৰ্ত্তন আৰু মহোৎসৱটি সুন্দৰভাৱে পৰিচালনা কৰে সভাপতি সন্তোষ দাস, সম্পাদক দিলীপ বণিক আৰু ৰাধা কৃষ্ণ মন্দিৰৰ সভাপতি জগদীশ দাস, সম্পাদক পৰিমল দাসে।

## নগাঁৱত নাৰী দিৱস উপলক্ষে নাৰী অভিৱৰ্তন প্ৰগতিশীল নাৰী সন্থাৰ

**ই-সংবাদ, বেবেজীয়া, ৯ মাৰ্চঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ উদ্যোগত শনিবাৰে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখনি নাৰী অভিৱৰ্তন অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে নগাঁৱৰ কমলাদেৱী তোদী স্মৃতি ভৱনত অনুষ্ঠিত হোৱা সভাখনিত সভাপতিত্ব কৰে প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ সভানেত্ৰী ভাৰতী দেৱীয়ে। প্ৰগতিশীল নাৰী সন্থাৰ 'আজি জাগৰণ মন্ত্ৰ পালো' শীৰ্ষক উদ্বোধনী গীতেৰে শুভাৰম্ভ হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ সম্পাদিকা হিমাদ্ৰী সেনাপতিয়ে। মালবিকা বৰাই আঁত ধৰা সভাখনিত প্ৰগতিশীল নাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী ৰাজু বৰুৱাই লিখি উলিওৱা 'সদৌ অসম প্ৰগতিশীল নাৰী সন্থাঃ নাৰী আন্দোলনত এক অবিৰত যাত্ৰা' শীৰ্ষক আলেখ্যখনি উন্মোচন কৰে নাৰী সন্থাটোৰ অন্যতম প্ৰতিষ্ঠাপক সদস্যা বিজু বৰাই। তেওঁ প্ৰদান কৰা ভাষণত নাৰী সন্থাৰ ঐতিহাসিক সময় আৰু পৰিক্ৰমা ব্যাখ্যা কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত বক্তা হিচাপে অংশগ্ৰহণ কৰি ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলা সমিতিৰ সম্পাদিকা নিজৰা শইকীয়া, নগাঁও সাহিত্য সভাৰ প্ৰতিভা দেৱী, মীনা সিনহা আৰু প্ৰগতিশীল নাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী ৰাজু বৰুৱাই নাৰীৰ অধিকাৰ, স্বাধীনতা আৰু মৰ্যাদাৰ বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই। সবিতা মুক্তিয়াৰে কবিতা আৰু ভাৰতী দেৱীয়ে গীত পৰিৱেশনেৰে সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনিত প্ৰগতিশীল নাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদিকা মৃণালী দেৱীয়ে প্ৰদান কৰা সাৰুৱা ভাষণত নাৰী সংগ্ৰামৰ ঐতিহাসিক নেত্ৰী ক্লাৰা জেটকিন, ৰোজা লুক্সেমবাৰ্গ, সাবিত্ৰী বাই, ফুলে ফাতেমা শ্বেখৰৰ আদৰ্শৰে ত্যাগ কৰিবলৈ নাৰীসকলৰ প্ৰতি আহ্বান জনায় সমস্যা সমাধানত চৰকাক ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনক কঠোৰভাৱে সমালোচনা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## মুম্বাইত ৪ শ্ৰমিকৰ শ্বাসৰুদ্ধ মৃত্যু

অৱস্থাত সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। নাগপাৰাৰ মিন্ট ৰোডৰ গুড লাক মটৰ ট্ৰেইনিং স্কুলৰ সমীপত এই ঘটনাত শ্বাসৰুদ্ধ হৈ চাৰিজন ঠিকাভিত্তিক শ্ৰমিকৰ মৃত্যু হয়। আন এজন লোক আহত হৈ বৰ্তমান চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। প্ৰশাসনে মৃত শ্ৰমিককেইজনৰ পৰিচয় প্ৰকাশ কৰিছে। তেওঁলোক হ'ল হাচিপাল শ্বেখ (১৯), ৰাজা শ্বেখ (২০), জিয়াউল্লাহ শ্বেখ (৩৬) আৰু ইমাণ্ডু শ্বেখ (৩৮)। আহত পুৰহান শ্বেখ (৩১)ক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বৃহনমুম্বাই পৌৰ নিগমৰ বিষয়াসকলে জনোৱা মতে, শনিবাৰে নিশা ১২.২৯ বজাত এই ঘটনা সংঘটিত হয় আৰু তাৰ পিছত নিশা ১.৩৫ বজাত মুম্বাই অগ্নিনিৰ্বাপক বাহিনীয়ে খবৰ লাভ কৰে। খবৰ লাভ পিছতে ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান চলোৱা হয় যদিও তেতিয়ালৈকে মৃত্যু ঘটে চাৰি শ্ৰমিকৰ। আহত ব্যক্তিজন বৰ্তমান জে জে হাস্পতালত চিকিৎসাধীন হৈ আছে। এই ঘটনাই ঠিকাভিত্তিক শ্ৰমিকৰ সুৰক্ষা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

# মুকালমুৱাৰ পূৰাণ আখিয়া গোপাল নামঘৰত গুৰুআসন প্ৰতিষ্ঠা

**ই-সংবাদ, মুকালমুৱা, ৯ মাৰ্চঃ** মুকালমুৱাৰ পূৰাণ আখিয়া গোপাল নামঘৰত আজি গুৰুআসন প্ৰতিষ্ঠা কৰা হয়। ১৯১০ চনত পূৰাণ আখিয়া গাঁৱত স্থাপিত নামঘৰটো পুনৰ নিৰ্মাণ কৰি আজি গুৰুআসন প্ৰতিষ্ঠা কৰে। তদুপলক্ষে দিনজোৰা ধৰ্মীয়, মাংগলিক আৰু সাংস্কৃতিক অনুষ্ঠানেৰে অনুষ্ঠিত হয় কাৰ্যসূচী। পুৱা ধৰ্মধ্বজা উত্তোলন কৰে গাঁও পৰিচালনা সমিতিৰ সভাপতি উমেশ মেধিয়ে। নামঘৰ চৌহদত গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত বতৰ বিজ্ঞানী পূৰ্ণ চন্দ্ৰ বৈশ্যই। ন-ৰূপেৰে সজাই তোলা নামঘৰত গুৰুআসন প্ৰতিষ্ঠা কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, বৰক্ষেত্ৰী আঞ্চলিক শাখাৰ সভাপতি বীৰেন্দ্ৰ মেধিয়ে। পৰৱৰ্তী কাৰ্যসূচী মৰ্মে নামঘৰত নামাচাৰ্য লক্ষেশ্বৰ বড়োৱে নাম-প্ৰসংগ অনুষ্ঠিত কৰে। দুপৰীয়া ভাগৱত পাঠ কৰে ধীৰেন মেধিয়ে। তাৰপিছত প্ৰসাদ বিতৰণ, সম্বৰ্ধনা অনুষ্ঠান, প্ৰীতি ভোজ, আবেলি সভাঘৰৰ মুখ্য দুৱাৰ উদঘাটন কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাই। নিশা নাগাৰা নাম পৰিৱেশন কৰে নাগাৰা নামৰ পাঠক বিনয় ৰাজকুমাৰে।

# বাক্সাত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত

**ই-সংবাদ, মুছলপুৰ, ৯ মাৰ্চঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত তথা বাক্সা জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি বাক্সা জিলাৰ বাথৌফুৰিস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতৰ চৌহদত বাক্সা জিলাৰ বিভিন্ন গোচৰ লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হয়। এই লোক আদালতত বিজুলী বিভাগৰ গোচৰ, বেংকৰ ঋণ সম্পৰ্কীয় গোচৰকে ধৰি ১৪১ টা প্ৰি-লিটিগেচন গোচৰ নিষ্পত্তি কৰা হয় আৰু নিষ্পত্তিৰ পৰিমাণ প্ৰায় ৪৫ লাখ ৬০ হাজাৰ টকা। লগতে যান-বাহন আইনৰ অধীনৰ গোচৰ, অপৰাধমূলক গোচৰ, দেৱানী গোচৰকে ধৰি ৩৫৬ টা বিচাৰাধীন আদালতৰ গোচৰ নিষ্পত্তি হয় আৰু নিষ্পত্তিৰ পৰিমাণ প্ৰায় এক লাখ ৮৯ হাজাৰ টকা। আজি বাক্সা জিলাত এইবৰ্ষৰ প্ৰথমখন লোক আদালতত উপস্থিত থাকে জিলা আৰু সত্ৰ ন্যায়াধীশ নইম উদ্দিন আহমেদৰ লগতে বাক্সা জিলা আইন সেৱা প্ৰাধিকৰণ সচিব মনশ্ৰীপৰ্ণা খাউণ্ড। এই লোক আদালতত ব্যয়হীন নিষ্পত্তিৰ জৰিয়তে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ৰাইজৰ সহায় হয় বুলি মন্তব্য কৰি বাক্সা জিলা আইন সেৱা প্ৰাধিকৰণ সচিব মনশ্ৰীপৰ্ণা খাউণ্ডে বছৰেকত চাৰিবাৰ লোক আদালত বহা বুলি উল্লেখ কৰি ক্ষিপ্ৰ, ব্যয়হীন আৰু সৌহাদ্যপূৰ্ণভাৱে অনুষ্ঠিত গোচৰ নিষ্পত্তি প্ৰক্ৰিয়াত আগন্তুক দিনতো ৰাইজৰ সহযোগিতা কামনা কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# আই বসুন্ধৰী থানত তীৰ্থ দৰ্শন আৰু সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, লাহৰীঘাট, ৯ মাৰ্চঃ** মৰিগাঁও জিলাৰ অন্যতম স্বেচ্ছাসেৱী সংস্থা 'আবেলি বেলিৰ ৰং'ৰ উদ্যোগত নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত আই বসুন্ধৰী থানৰ প্ৰাংগণত আজি বয়োজ্যেষ্ঠৰ তীৰ্থ দৰ্শন আৰু সম্বৰ্ধনা অনুষ্ঠান এটি অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ বৰিবন্ধা-লেলাবড়ি অঞ্চলত বয়োজ্যেষ্ঠসকলৰ উদ্দেশ্যে কেইবা বছৰৰ পূৰ্বে জন্ম লাভ কৰা আবেলি বেলিৰ ৰং নামৰ স্বেচ্ছাসেৱী সংস্থাটোয়ে প্ৰতি বছৰৰ দৰে এই বছৰো সমাজত অবিহণা আগবঢ়াই অহা আৰু দীৰ্ঘদিনে সমাজৰপৰা স্বীকৃতি লাভ নকৰা ১০ গৰাকী বিশিষ্ট ব্যক্তিক তীৰ্থ দৰ্শন কৰাই সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে স্বেচ্ছাসেৱী সংস্থাটোৱে বৰিবন্ধাৰপৰা আজি অঞ্চলটোৰ লাউভুৰুঙা, মাহদলা, বৰিবন্ধা আৰু পটীয়াবন্ধা ৰাজহ গাঁৱৰ মুঠ ১০ গৰাকী বয়োজ্যেষ্ঠ ব্যক্তিক লৈ নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত আই বসুন্ধৰী থানত উপস্থিত হয়। এই উপলক্ষে থানৰ প্ৰাংগণত এখন সম্বৰ্ধনা সভা আৰু এটি অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়। স্বেচ্ছাসেৱী সংস্থাটোৰ সভাপতি নৰেশ্বৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অঞ্চলটোৰ সমাজ জীৱনত অভিনয়, সমাজসেৱা, আধ্যাত্মিকতা, কৃষি, বাটে আদি ভিন ভিন কৰ্মৰাজিৰে বৰঙণি আগবঢ়োৱা কমলেশ্বৰ পাতৰ, চেঁচা ৰাম পাতৰ, ধৰ্মেশ্বৰ নাথ, কমল পাতৰ, নীলকান্ত নাথ, কলীয়া নাথ, শুভ বৰুৱা, মালামাই দেৱী, পৰমেশ্বৰী দেৱী আৰু উমাকান্তী দেৱীক একোখন মান-পত্ৰ, চেলেং চাদৰ আৰু ফুলাম গামোচাৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটো পৰিচালনাত আঁতধৰে সংস্থাটোৰ সম্পাদক খগেন চন্দ্ৰ নাথ আৰু শিৱ প্ৰসাদ বৰুৱাই। আনহাতে, ইয়াৰ লগতে সম্বৰ্ধিত বয়োজ্যেষ্ঠসকলক লৈ অনুষ্ঠিত হয় এটি অন্তৰংগ আলাপ অনুষ্ঠান। স্বেচ্ছাসেৱী সংস্থাটোৰ প্ৰচাৰ সম্পাদক বিষ্ণু ডেকা আৰু সম্পাদক খগেন চন্দ্ৰ নাথে আঁতধৰা অন্তৰংগ আলাপ অনুষ্ঠানটোত বৰ্তমানেও বিভিন্ন সামাজিক, অংকীয়া নাটকত অভিনয় কৰি অঞ্চলটোত খলকনি সৃষ্টি কৰা ধৰ্মেশ্বৰ নাথে বিভিন্ন নাটৰ সংলাপ, গীত গাই আমোদ দিয়ে। একেদৰে চেঁচা ৰাম পাতৰ, কমলেশ্বৰ পাতৰকে ধৰি আন আন বয়োজ্যেষ্ঠ ব্যক্তিকেইগৰাকীয়েও জীৱনৰ বিভিন্ন সময়ৰ স্মৰণীয় মুহূৰ্তৰ ঘটনা প্ৰকাশ কৰে। উল্লেখ্য যে জীৱন কালত সমাজত নিজ নিজ বিভিন্ন কৰ্মৰাজিৰে বৰঙণি আগবঢ়াই অহাৰ পাছতো সদায় সমাজৰপৰা অৱহেলিত, প্ৰাপ্য সন্মানৰপৰা বঞ্চিত আৰু দুখীয়া দৰিদ্ৰ সমাজ হিতৈষী লোকসকলক যৎকিঞ্চিত সন্মান জনোৱা আৰু জীৱনৰ ভাতী বয়সত নিসংগ হৈ পৰা লোকসকলক তীৰ্থ দৰ্শন আৰু সম্বৰ্ধনা জনোৱাই হৈছে আবেলি বেলিৰ ৰং নামৰ অনুষ্ঠানটোৰ মূল উদ্দেশ্য আৰু লক্ষ্য। সেই লক্ষ্যৰে এইবেলি পঞ্চম বৰ্ষত উপনীত হোৱা অনুষ্ঠানটোৱে অঞ্চলটোৰ তেনে ১০ গৰাকী বয়োজ্যেষ্ঠ লোকক তীৰ্থ দৰ্শন আৰু সম্বৰ্ধনা জনায়। উল্লেখ্য যে অনাতাঁৰ শিল্পী পুতুল নাথৰ ভক্তিমূলক গীতেৰে অনুষ্ঠানটিৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। সম্বৰ্ধনা সভা আৰু অন্তৰংগ আলাপ অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তাৰূপে বিশিষ্ট সমাজ সেৱক মুনিন্দ্ৰ বৰদলৈ, আমন্ত্ৰিত অতিথিৰূপে থান পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ নাথ, সম্পাদক শিৱৰাম নাথ, বামুণীজান হাইস্কুলৰ অৱসপ্ৰাপ্ত প্ৰধান শিক্ষক হিৰণ্য ভট্ট, শংকৰ-মাধৱ হাইস্কুল, কাৰ্বি আংলঙৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উমেশ কাকতি উপস্থিত থাকে। লগতে উপস্থিত থাকে আবেলি বেলিৰ ৰঙৰ মুখ্য পৃষ্ঠপোষক ডাঃ কমল পাতৰসহ সংস্থাটোৰ বিষয়ববীয়াসকল। নিৰ্দিষ্ট বক্তা আৰু আমন্ত্ৰিত অতিথিকেইগৰাকীয়ে অনুষ্ঠানটোৰ এই কাৰ্যসূচীক শলাগ লোৱাৰ লগতে ঐতিহ্যমণ্ডিত আই বসুন্ধৰী থানৰ ইতিবৃত্ত আৰু মহত্বৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

# দুনী শতদল শাখা সাহিত্য সভাৰ ৫৮ সংখ্যক পূৰ্ণাংগ অধিৱেশন সম্পন্ন

**ই-সংবাদ, পশ্চিম দৰং, ৯ মাৰ্চঃ** দৰং জিলা সাহিত্য সভাৰ অন্তৰ্গত দুনী শতদল শাখা সাহিত্য সভাৰ ৫৮ সংখ্যক পূৰ্ণাংগ অধিৱেশনখন ৮ আৰু ৯ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পশ্চিম দৰং জাতীয় বিদ্যালয় প্ৰাংগণৰ জ্ঞানদীপ একাডেমী ক্ষেত্ৰত অনুষ্ঠিত অধিৱেশনৰ দ্বিতীয় দিনা পুৱা সামূহিক চাফাই, বন্তি প্ৰজ্বলন, অসম সাহিত্য সভাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, তোৰণ উন্মোচন, ক্ষেত্ৰ উন্মোচন, গছপুলি ৰোপণ, কুঁহি, আকাশ আৰু ৰামধেনু অনুষ্ঠান সম্পন্ন হয়। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী সভাখন সঞ্চালনা কৰে দুনী শাখা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি বীৰেন্দ্ৰ কাকতিয়ে। দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথে উদ্বোধন কৰা সভাত ছিপাঝাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে নিৰ্দিষ্ট বক্তা হিচাপে



অংশগ্ৰহণ কৰে। সভাত সংক্ষিপ্ত জীৱনপঞ্জী আৰু মুখপত্ৰ সাহিত্য লেখা উন্মোচন কৰে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। সভাত অসম চৰকাৰৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মা, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সভাত অংশগ্ৰহণ কৰে।

## বৰপেটাৰোডত ৪ দিনীয়াকৈ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন



**ই-সংবাদ, বৰপেটাৰোড, ৯ মাৰ্চঃ** বৰপেটাৰোডত ৪ দিনীয়াকৈ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। অহা ১৩, ১৪, ১৫ আৰু ১৬ মাৰ্চত চাৰিদিনীয়কৈ ৰঙৰ উৎসৱ হোলীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ১৩ মাৰ্চত বহ্ণুৎসৱ (গোন্ধযাত্ৰা), ১৪ মাৰ্চত ভৰদৌল, ১৫ মাৰ্চত ভৰদৌল আৰু ১৬ মাৰ্চত সুৱেৰী (ফাকুৱা)। দৌল মহোৎসৱৰ আয়োজনৰ উদ্দেশে আজি বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামলজ্যোতি শইকীয়াৰ আহ্বানমৰ্মে শাখা সত্ৰ প্ৰাংগণত বৰপেটাৰোডৰ বিভিন্ন মঠ-মন্দিৰ, ধৰ্মানুষ্ঠানৰ প্ৰতিনিধিৰ উপস্থিতিত এখন নাগৰিক সভা অনুষ্ঠিত কৰা হয়। বৰপেটাৰোড ভাৰতৰ বৈষ্ণৱ, শাক্ত, শৈৱ আদিৰ নগৰী আৰু সনাতন ধৰ্মীয় লোকৰ বাসভূমি হিচাপে পৰিচিত। সেয়েহে ইয়াত বসবাস কৰা ভিন্ন সম্প্ৰদায়ৰ লোকসকলে নিজস্ব পৰম্পৰা ৰক্ষা কৰি হোলী উৎসৱ উদযাপন কৰি আহিছে। কিন্তু বিভিন্ন সম্প্ৰদয়ে ফাকুৱাৰ ৰং খেলা দিনটো ভিন্ন দিনত পালন কৰি আহিছিল। ইয়াৰ ফলত কিছু বেমেজালিৰ সৃষ্টি হৈছিল। সেয়েহে সমন্বয় নগৰী বৰপেটাৰোডৰ পৰা মিলনৰ ঐতিহাসিক বাৰ্তা লৈ এই হোলীৰ ৰংখেল পৰ্বটি সকলো সম্প্ৰদায়ে একেলগে একেদিনাই যাতে উদযাপন কৰে সেই উদ্দেশ্য বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামলজ্যোতি শইকীয়াৰ উদ্যোগত বৰপেটাৰোড শাখা সত্ৰই আয়োজন কৰা সভাত অহা ১৬ মাৰ্চ দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে সিদ্ধান্ত গ্ৰহণ কৰে। সকলোৱে শাখা সত্ৰত মিলিত হৈ সমন্বয়ৰ হোলী উৎসৱ উদযাপন কৰিব। ইয়াত নাগৰিক সভা, বৰপেটাৰোড শাখা সত্ৰ, গোৱিন্দ বাৰী, ৰাধা-কৃষ্ণ ঠাকুৰ বাৰী, হনুমান মন্দিৰ, ৰাম মন্দিৰ, বৰ্মন পাৰা গোবিন্দ মন্দিৰৰ কমিটিসমূহে অংশগ্ৰহণ কৰে। আজি বৰপেটাৰোড শাখা সত্ৰৰ সভাপতি মলিন চন্দ্ৰ ডেকা, সম্পাদক মণ্টু ওঝা, হেমেন দাসৰ লগতে ভালেকেইজন সমাজসেৱক উপস্থিত থাকে।

# এ ডি আৰ ইত উজলিল দৰঙৰ ঔতলাৰ জন্মান্ধ তৰুলতা

**ই-সংবাদ বিশেষ, মঙলদৈ, ৯ মাৰ্চঃ** অসাধাৰণক সাধাৰণ কৰি অসম চৰকাৰৰ সদ্যঘোষিত এ ডি আৰ ই পৰীক্ষাত উজলিল দৰং জিলাৰ ঔতলাৰ জন্মান্ধ তৰুলতা বৰুৱা। ঔতলাৰ নিকটৱৰ্তী কুমাৰপাৰা গাঁৱৰ ২৭ বছৰীয়া এই যুৱতীগৰাকীয়ে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ দুয়োটা পৰীক্ষাতে উত্তীৰ্ণ হোৱাত স্বাভাৱিকতে অঞ্চলজুৰি বৈছে আনন্দৰ বন্যা। জাকে জাকে শুভাকাংক্ষী গৈ তেওঁক জনাইছে অভিনন্দন। মানৱতাবাদী সংগঠন কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, প্ৰচাৰ সম্পাদক জিতুমণি চহৰীয়া আৰু শংকৰদেৱ শিশু বিদ্যা নিকেতন মঙলদৈৰ ছাত্ৰী অপৰাজিতা দত্তই আজি তৰুলতা বৰুৱাক সম্ভাষণ জনাই আগন্তুক মৌখিক পৰীক্ষাতো যাতে সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পাৰে তাৰবাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে কমাৰপাৰা গাঁৱৰ লম্বোদৰ বৰুৱা আৰু সোণেশ্বৰী বৰুৱাৰ কন্যা তৰুলতা বৰুৱা। জন্মতেই ছোৱালীজনী অন্ধ বুলি অৱগত হৈ ভৱিষ্যতে তাই পৰিয়ালৰ বাবে বোজা হৈ পৰিব বুলি অনুভৱ কৰি মাতৃয়ে ছোৱালীজনীক পেলাই দিবলৈ ঠিৰাং কৰি স্বামী লম্বোদৰ বৰুৱাক কথাটো কৈছিল। কিন্তু লম্বোদৰ বৰুৱাই বাধা দি কৈছিল- 'ভগৱানৰ দান, পেলাই নিদিওঁ দে, ঘৰলৈ লৈ যাওঁ, ভৱিষ্যতে তাইক ভগৱানেই কিবা দিহা দিব।' সেইমতে ঘৰলৈ লৈ অহা ছোৱালীজনী গুৱাহাটী অন্ধ বিদ্যালয়ৰ পৰা ২০১১ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় যদিও ঘৰুৱা অসুবিধাৰ বাবে বিদ্যায়তনিক দিশত আৰু আগবাঢ়িব নোৱাৰিলে। ইয়াৰ মাজতে ৭ বছৰ আগতে পিতৃক চিৰদিনৰ বাবে হেৰুৱাই তৰুলতা বৰুৱা এক দুৰ্যোগৰ সন্মুখীন হয় যদিও মাতৃৰ উৎসাহত ভাগি নপৰিল। অন্ধ হৈয়ো ঘৰৰ সমস্ত কাম-বন কৰাৰ লগতে মোবাইলৰ জৰিয়তে ফেচবুক গ্ৰুপ খুলি দৈনিক কুইজ, সাঁথৰ, গীত-মাতৰ অনুষ্ঠান পৰিচালনা কৰিবলৈ ধৰিলে। এইবাৰ পৰীক্ষা দিয়াৰ পিছতে তৰুলতা বৰুৱা হৈ পৰে আত্মবিশ্বাসী, পৰীক্ষাত উত্তীৰ্ণ হ'বই। কাৰণ পৰীক্ষা যথেষ্ট ভাল হৈছিল। দৈনিক মোবাইলৰ জৰিয়তে বিদ্যায়তনিক চৰ্চা কৰি থকাৰ বাবেই এই আত্মবিশ্বাস বুলি জনাইছে তৰুলতা বৰুৱাই। জন্মৰ পিছতেই মাতৃয়ে পেলাই দিবলৈ ওলোৱা তৰুলতা এতিয়া দহৰ বাবে আদৰ্শ স্বৰূপ হৈ পৰিছে। তাইৰ আত্মবিশ্বাস বাস্তৱত প্ৰতিফলিত হোৱাত অঞ্চলজুৰি আনন্দৰ জোৱাৰ উঠিছে। তাৎপৰ্যপূৰ্ণ যে তৰুলতা বৰুৱাৰ বাবে প্ৰয়োজন কমেও ৩২ হাজাৰ টকাৰ এক বিশেষ চশমাৰ। মানৱতাবাদী সংগঠন 'আশাৰ আলোক' মানুহে মানুহৰ বাবে, দৰং, অসমে এই চশমাযোৰ দিয়াৰ অংগীকাৰ কৰিছে। অহা ৯ মাৰ্চত জনাৰামচৌকাৰ কবিকাৰাত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত তৰুলতা বৰুৱাক মানৱতাবাদী সংগঠনটোৱে তৰুলতা বৰুৱাক চশমাৰ বাবে প্ৰয়োজনীয় ধনখিনি প্ৰদান কৰিব বুলি সভাপতি হৰিচন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত আৰু সম্পাদক জয়প্ৰকাশ শৰ্মাই জনাইছে।

## কামপুৰৰ দক্ষিণ কামপুৰ সমবায় সমিতিৰ স্থায়ী কাৰ্যালয় ,গুদামগৃহৰ উদ্বোধন

**ই-সংবাদ, কামপুৰ, ৯ মাৰ্চঃ** আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে নগাঁও জিলা যোগান বিভাগৰ অধীনস্থ কামপুৰৰ দক্ষিণ কামপুৰ সমবায় সমিতিৰ স্থায়ী কাৰ্যালয় আৰু গুদামগৃহৰ উদ্বোধন কৰা হয়। সমবায়খনৰ নিজা পুঁজিৰে ২৯ লাখ ১৯ হাজাৰ ৭১১ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কাৰ্যালয় আৰু গুডামঘৰৰ ফিটাকাটি শুভ উদ্বোধন কৰে বৃহ্মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। এই সম্পৰ্কত অনুষ্ঠিত এখন সভাত বিধায়ক জিতু গোস্বামীয়ে আগন্তুক দিনত গুদাম ঘৰটোত খাদ্য-বস্তুসমূহ যতনাই ৰখাৰ ক্ষেত্ৰত আৰু কাৰ্যালয়টোৰ জৰিয়তে অঞ্চলবাসী বিভিন্ন কাৰ্যসূচী ৰূপায়ণত সহায় লাভ কৰিব বুলি মত ব্যক্ত কৰে। সম্পূৰ্ণ মাংগলিক কাৰ্যসূচীৰ মাজেৰে অনুষ্ঠিত হোৱা উদ্বোধনী কাৰ্যসূচীত বিধায়কজনৰ লগত উপস্থিত থাকে দক্ষিণ কামপুৰ সমবায় সমিতিৰ সভাপতি বাবুল শইকীয়া, নগাঁও জিলাৰ উপ-পঞ্জীয়ক মৰমী ভকট আৰু নগাঁও মহকুমাৰ সহকাৰী পঞ্জীয়ক ইভা বৰা, কামপুৰ বিজেপি মণ্ডলৰ সভাপতি ৰাতুল বৰা, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, শান্তিৰাম বৰা আদি।

# শিমলুগুৰিত আন্তজাৰ্তিক নাৰী দিৱস উদ্‌যাপন

**ই-সংবাদ, গেলেকী, ৯ মাৰ্চঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি শাখা সাহিত্য সভা ভৱনত শিৱসাগৰ জিলা আকাশ উপ-সমিতিৰ উদ্যোগত শিমলুগুৰি শাখা সাহিত্য সভাৰ সহযোগত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি ইলা মহন বুঢ়াগোহাঁইয়ে সভাপতিত্ব কৰা সভাত শাখাৰ সম্পাদিকা শ্বাকিৰা উল্লা হাজৰিকাই উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। শিৱসাগৰ জিলা আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অনিমা ৰাজখোৱাই আদৰণি ভাষণ আগবঢ়োৱা সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড০ জীৱন কলিতা, জিলা সম্পাদক মনোজ কুমাৰ গগৈ, জিলা প্ৰতিনিধি ড০ সীমান্ত বৰুৱা, সন্তোষ দত্ত, জিলা সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈ, কোষাধ্যক্ষ চৰিফুল আলী, সাংগঠনিক সম্পাদক দিলীপ শইকীয়া আদি উপস্থিত থাকে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট লেখিকা, গীতিকাৰ, কবি ঊষা শইকীয়া। শিমলুগুৰি শাখা সাহিত্য সভাই এগৰাকী সংগ্ৰামী মহিলা কোযেশ্বৰী সন্দিকৈক সম্বৰ্ধনা জ্ঞাপন কৰে। স্বাধীনতা সংগ্ৰামী কোযেশ্বৰী সন্দিকৈয়ে বৃট্ৰিছৰ দিনৰ পৰাধীন ভাৰতৰ অভিজ্ঞতা বৰ্ণনা কৰি সকলোকে আপ্লুত কৰে।

## মিডিয়া বিভাগৰ অধ্যক্ষৰ দায়িত্বৰ পৰাও অব্যাহতি প্ৰণৱজ্যোতি বাৰিকৰ

# মাজুলী কংগ্ৰেছৰ সভাপতিৰ সাংগঠনিক অৰাজকতা, জিলা সাধাৰণ সম্পাদকক অব্যাহতি

**ই-সংবাদ, নামনি মাজুলী, ৯ মাৰ্চঃ** মাজুলী জিলা কংগ্ৰেছৰ সভাপতি কোমেশ্বৰ বৰাৰ নেতৃত্বত বৰ্তমান মাজুলী জিলা কংগ্ৰেছত অৰাজকতাই বিৰাজ কৰিছে। সূত্ৰ অনুসৰি যোৱা লোকসভাৰ নিৰ্বাচনত বিজেপি দলৰ পৰা টকা লোৱা কিছু ব্যক্তিয়ে বৰ্তমান কংগ্ৰেছ দলৰ জিলা পৰ্য্যায়ৰ দায়িত্ব গ্ৰহণ কৰিয়ে ব্যক্তিগত স্বাৰ্থত দলক বিপথে পৰিচালিত কৰিছে। ১৯৮০ চনৰ আগৰেপৰাই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে প্ৰণৱজ্যোতি বাৰিকৰ পিতৃ স্বৰ্গীয় ডিম্বেশ্বৰ বাৰিকে মৃত্যুপৰ্যন্ত কংগ্ৰেছ দলৰ হৈ নিঃস্বাৰ্থভাৱে কাম কৰি গৈছিল। প্ৰণৱজ্যোতি বাৰিকে কয় যে আজিলৈকে কংগ্ৰেছ দলৰপৰা তেওঁৰ পৰিয়ালে কি লাভ কৰিছে নকৰিছে তাক লৈ তেওঁলোকে কোনো আক্ষেপ নকৰাকৈয়ে বৰ্তমানো কংগ্ৰেছ দলৰ হৈ কাম কৰি আছিল। যোৱা ৬ মাৰ্চত মাজুলী জিলা মহিলা কংগ্ৰেছৰ এখন বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী উপস্থিত থাকিব লগাত জিলা কংগ্ৰেছৰ সভাপতি হিচাপে কোমেশ্বৰ বৰাক সাক্ষাৎ কৰিবলৈ জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী কমলালক্ষী পগাগ আৰু তত্বাৱধায়ক প্ৰণৱজ্যোতি বাৰিকে ঘৰত গৈয়ো লগ কৰিব নোৱাৰাৰ লগতে দুই-তিনিদিন ফোনযোগে যোগাযোগ কৰিব বিচাৰিও যোগাযোগ কৰিব পৰা নাছিল। অৱশেষত জিলা সভানেত্ৰীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা মাজুলী জিলাৰ তত্বাৱধায়ক মেঘনাথ চেত্ৰীক জনোৱাৰ পিছতহে জিলা সভাপতিয়ে সভানেত্ৰীলৈ ফোন কৰে। বাৰিকে লগতে কয় অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী আহিবলগীয়া গুৰুত্বপূৰ্ণ এখন সভাৰ আলাপ-আলোচনাৰপৰা দূৰত্ব বজায় ৰাখিব বিচৰাটোৱে জিলা কংগ্ৰেছৰ সভাপতিয়ে সামগ্ৰিকভাৱে জিলা কংগ্ৰেছৰ সকলো উইংছৰ সাংগঠনিক সুদৃঢ়তা নিবিচাৰে তাকে প্ৰতিপন্ন কৰিছে। পদত্যাগ কৰাৰ আগত প্ৰণৱজ্যোতি বাৰিকে ২০১০ চনত যোৰহাট জিলা এন এছ ইউ আইৰ প্ৰশাসনিক সাধাৰণ সম্পাদক, ২০১৩ চনত লখিমপুৰ লোকসভাৰ যুৱ কংগ্ৰেছ কমিটীৰ সম্পাদক, ২০১৫ চনত অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰসম্পাদক, ২০২১ চনত মাজুলী জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক আৰু জিলা কংগ্ৰেছৰ মুখপাত্ৰ আৰু বৰ্তমান মাজুলী জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা জিলা কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ আৰু মাজুলী জিলা মহিলা কংগ্ৰেছৰ তত্বাৱধায়কৰ দায়িত্বত আছিল। তেখেতে লগতে কয় যে কোমেশ্বৰ বৰাৰ নেতৃত্বত মাজুলীত দলক সবল কৰিব নোৱাৰে। সেয়ে প্ৰণৱজ্যোতি বাৰিকৰ অবিহনে জিলা কংগ্ৰেছৰ নেতৃত্বৰ পৰিৱৰ্তনেৰে দলক সবল কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছক আহ্বান জনাই। জানিব পৰা মতে এ আই চি চিৰ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বিশেষ তত্বাৱধায়ক বিকাশ উপাধ্যায় অহা ইংৰাজী ১১ তাৰিখে মাজুলী জিলাৰ জিলা বিষয়ববীয়াসকল, দুয়োখন ব্লক কংগ্ৰেছৰ বিষয়ববীয়াসকল আৰু মণ্ডল সভাপতিসকলক লৈ উজনি মাজুলী ৰঙাচাহী মণ্ডল কংগ্ৰেছৰ অন্তৰ্গত সোণাৰিআটি নৰজ্যোতি কৃষ্টি সংঘত এখন সাংগঠনিক সভা অনুষ্ঠিত কৰাৰ কথা আছিল। কিন্তু আজি প্ৰণৱজ্যোতি বাৰিকৰ পদত্যাগৰ পিছতে জিলা কংগ্ৰেছে সভাখন পৃথকে পৃথকে ৰাজীৱ ভৱনতে অনুষ্ঠিত কৰাৰ সিদ্ধান্তগ্ৰহণ কৰে।
বাৰিকে অহা ১১ মাৰ্চত তেওঁৰ বাসগৃহত এখন সংবাদমেল সম্বোধন কৰিব বুলি জানিবলৈ দিয়ে।

# সাংবাদিক ৰশ্মিৰেখা সাউদ কলিতালৈ লেডী অৱ দ্যা ইয়েৰ সন্মান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ মাৰ্চঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে যোৱা ৮ মাৰ্চত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাগ্মীবৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত লাহোৱালৰ সাংবাদিক ৰশ্মিৰেখা সাউদ কলিতালৈ ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেশ্যনৰ তৰফৰপৰা বেষ্ট লেডী অৱ দ্য ইয়েৰ-২০২৫ সন্মান আগবঢ়োৱা হয়। এগৰাকী কবি, গল্পকাৰ, প্ৰৱন্ধকাৰ, সাংবাদিক, ডিব্ৰুগড় দূৰদৰ্শনৰ ঘোষিকা, কেইবাখনো তথ্যচিত্ৰৰ নিৰ্মাতা হিচাপে সমাজৰ বিভিন্ন দিশত আগবঢ়োৱা অৱদানৰ বাবে সাংবাদিকগৰাকীলৈ এই সন্মান প্ৰদান কৰা হয়। উল্লেখ্য যে ডিব্ৰুগড় দূৰদৰ্শনত সুদীৰ্ঘ চৌবিশ বছৰ ধৰি ঘোষিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰশ্মিৰেখা সাউদ কলিতাই বুৰঞ্জীপ্ৰসিদ্ধ দিখৌমুখ, অসমৰ ঐতিহ্য মুখাশিল্পকে মুখ্য কৰি কেইবাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰি ডিব্ৰুগড় দূৰদৰ্শন, পি পি চি আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰযোগে প্ৰশংসিত হৈছিল। ইতিমধ্যে সাংবাদিকগৰাকীয়ে তিনিখন কাব্যগ্ৰন্থ, এখন গল্প সংকলন আৰু দুখন সম্পাদনা কৰা গ্ৰন্থৰে অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনত অৰিহণা যোগাইছে। তদুপৰি ২০১৩ চনত অসম কবি সমাজৰপৰা শব্দ তনয়া, ২০১৭ চনত এচেৰেঙা ৰ'দালি বঁটা, সমাজকৰ্মীৰ সন্মান, ২০২০ চনত আশা সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানৰ কাব্য নন্দিনী বঁটা, ২০২২ চনত মুক্ত কবি কণ্ঠ আন্তৰ্জাতিক মঞ্চ, অসমৰপৰা যুৱ সাংবাদিক বঁটা ২০২২, ২০২৩ চনত NEBCUSৰ কাব্য তনয়া বঁটা, ২০২৪ চনত পাব্লিক প্ৰেছে প্ৰদান কৰা সংবাদৰত্ন বঁটা লাভ কৰিছিল।

# কান্দুপুৰ-বামুনপাৰাত শ্ৰীশ্ৰীবংশী গোপাল নামঘৰৰ নৱনিৰ্মিত নামঘৰ মুকলি উৎসৱ

**ই-সংবাদ, মিৰ্জা, ৯ মাৰ্চঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ১৮৫৩ বৰ্ষত স্থাপিত কান্দুপুৰ বামুণপাৰা, বুদুপাৰা আৰু কমাৰপাৰা ৰাইজ গয়ৰহৰ শ্ৰীশ্ৰীবংশী গোপাল নামঘৰৰ নৱনিৰ্মিত নামঘৰ মুকলি উৎসৱটি আজি অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা ধৰ্মধ্বজা উত্তোলন কৰে সোণাৰাম দাসে। গছপুলি ৰোপণ কৰে ভুপেন দাস আৰু ভদ্ৰেশ্বৰ দাসে। পিছত আয়তীসকলৰ দ্বাৰা জলাৰোহণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। বংশী গোপালৰ বিগ্ৰহলৈ ধৰ্মীয় শোভাযাত্ৰা মুকলি কৰে এই ৰাইজ গয়ৰহৰ সভাপতি চন্দ্ৰধৰ দাসে, পুনৰ নিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি কৰে নৰেন দাসে, নৱনিৰ্মিত মণিকূটৰ দ্বাৰ মুকলি কৰে নৰেশ্বৰ শৰ্মাই, হোমযজ্ঞ আৰম্ভ কৰে আনন্দ দেৱ শৰ্মা আৰু মহেন্দ্ৰ চৌধুৰীয়ে। বিয়লি ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। এই সভা সঞ্চালনা কৰে মাণিক চন্দ্ৰ শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে দক্ষিণ কামৰূপ সত্ৰ মহাসভাৰ সভাপতি অখিল মহন্তই অংশগ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শনৰ বিষয়ত ভাষণ প্ৰদান কৰে। তেওঁ নামঘৰৰ গুৰুত্বপূৰ্ণ দিশৰ বিষয়েও কয়। বিশিষ্ট অতিথি হিচাপে দক্ষিণ কোল আঞ্চলিক সত্ৰ মহাসভাৰ সম্পাদক কিৰণ কলিতাই অংশগ্ৰহণ কৰি নামঘৰৰ জনজীৱনৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। সন্ধিয়া ধৰ্মধ্বজা অৱনমিত কৰা হয়। ইয়াৰ পিছত কেইবাজনো বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়। মঞ্চ মুকলি কৰে অনন্ত ৰাম দাসে। ইয়াৰ পিছতেই জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ চৌতালী নামৰীয়া দল আৰু ছয়গাঁও বালিগাঁৱৰ শ্ৰীশ্ৰীবংশী গোপাল বাৰোৱাৰী নামৰীয়া দলৰ নাম পৰিৱেশন কৰা হয়। পাঠক হিচাপে থাকে কিশোৰ কলিতা আৰু জগদীশ কলিতা। এই অনুষ্ঠানতে এই ৰাইজ গয়ৰহৰ সভাপতি চন্দ্ৰধৰ দাস, কাৰ্যকৰী সভাপতি নৰেশ্বৰ শৰ্মা, সম্পাদক বাসুদেৱ শৰ্মা, কাৰ্যকৰী সম্পাদক কবীন্দ্ৰ দাস (টুটু), পলাশবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গজেন চন্দ্ৰ দাসকে ধৰি অঞ্চলটোৰ বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে।

# চকলাঘাটত সুধাকণ্ঠৰ জীৱন-কীৰ্তিক লৈ ব্যতিক্ৰমী ৰূপত ভূপেন্দ্ৰ মেল সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৯ মাৰ্চঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ পূব হাতীচোং চকলাঘাটৰ ব্ৰাহ্মণগাঁওস্থিত ৰসৰাজ বেজবৰুৱা ক্ষেত্ৰত দেওবাৰে সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'সংগীতম'ৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ শুভাৰম্ভণি উপলক্ষে ব্যতিক্ৰমী ৰূপত ভূপেন্দ্ৰ মেল-২ শীৰ্ষক এটি মনোগ্ৰাহী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিয়লি দুই বজাৰপৰা বৰেণ্য শিল্পীজনাৰ জীৱন-কৃতীক লৈ অনুষ্ঠিত হোৱা এই মনোগ্ৰাহী অনুষ্ঠানটিত ৰাজ্যৰ বহুকেইজন বিশিষ্ট শিল্পী, কবি, সাহিত্যিক আৰু সাংস্কৃতিক কৰ্মীৰ উপস্থিতিৰে অনুষ্ঠানস্থলী ৰসৰাজ বেজবৰুৱা ক্ষেত্ৰত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। ব্যতিক্ৰমী অনুষ্ঠানটি বন্তি প্ৰজ্বলন আৰু মহিলাৰ দ্বাৰা সংস্কৃত ভাষাত পৰিৱেশিত এটি সমৱেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। সংগীতমৰ কৰ্মকৰ্তা শিল্পী ৰঞ্জন বেজবৰুৱা আৰু দীপাংক শইকীয়াই যুটীয়াভাৱে আঁতধৰা অনুষ্ঠানটিত প্ৰথমেই বিশিষ্ট সংগীত শিল্পী ৰূপম ভূঞাই ৰংমন মাছলৈ গ'ল আৰু তুমি নতুন পুৰুষ, তুমি নতুন নাৰী শীৰ্ষক গীত দুটি পৰিৱেশন কৰাৰ লগতে তেওঁ সাংস্কৃতিক ক্ষেত্ৰখনৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ পিছতে ধেমাজীৰপৰা অহা সুধাকণ্ঠৰ ড° ভূপেন হাজৰিকাৰ একান্ত অনুৰাগী ড° বনজিৎ ভট্টাচাৰ্যই গীত-কবিতাৰ মাজেৰে ভূপেন হাজৰিকাৰ জীৱনাদৰ্শ আৰু কৰ্মৰাজিৰ বিষয়ে উপস্থাপন কৰি অনুষ্ঠানটিক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানত আধুনিক সংগীতৰ গৱেষক মঞ্জিত ৰাজকোঁৱৰ উপস্থিত থাকি ভূপেন হাজৰিকাৰ বাংলা গানৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰাৰ বিপৰীতে বিশিষ্ট শিল্পী তৰালী শৰ্মাই বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ সংগীত, সুৰ আৰু চিত্ৰকল্পৰ বিষয়ে বহুলভাৱে আলোকপাত কৰাৰ লগতে তেওঁ ড° ভূপেন হাজৰিকাই গীতৰ জৰিয়তে সমাজৰ কথা কৈ গৈছে বুলি মন্তব্য কৰে। তেওঁ ভূপেন হাজৰিকাক সূৰ্য বুলি অভিহিত কৰি সূৰ্য চাবহে পাৰো, চুব নোৱাৰো বুলি মন্তব্য কৰাৰ উপৰিও বক্তব্যৰ মাজে মাজে সুমধুৰ কণ্ঠৰে চিৰস্মৰণীয় গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী প্ৰশান্ত ৰাজখোৱা, ৰিজুমনি সভাপণ্ডিত, নৱাগতা কণ্ঠশিল্পী প্ৰকৃতি প্ৰজ্ঞা ডেকা, ধৃতি তপস্যা বৰুৱা আৰু কৃষ্টি কন্যা শইকীয়াই গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰিবলৈ সক্ষম হয়। গীত-মাতৰ মাজতে উদ্যোক্তাসকলে বৃহত্তৰ পূব হাতীচোং অঞ্চলত সুন্দৰ সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰা প্ৰবীণ শিল্পী গোপাল চন্দ্ৰ বৰা আৰু মহেশ্বৰ বৰাৰ লগতে সংগীত শিল্পী কৃষ্ণ দুলাল বৰুৱা, ৰতিমোহন নাথ, দীপক শৰ্মাকে ধৰি কেইবাজনো লোকক বিশেষভাৱে সম্বৰ্ধনা জনায়। শিল্পীসকলৰ লগত অতুল মহন্ত, মুকুল বৰা, দীপক শৰ্মা, পংকজ মুদৈয়ে বাদ্যযন্ত্ৰ সাৰোগত কৰি সৌষ্ঠব্য বৃদ্ধি কৰি তোলা মনোগ্ৰাহী অনুষ্ঠানটিত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, প্ৰবীণ অভিনেতা ৰাণা প্ৰকাশ বৰা, অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, নাট্যশিল্পী ধ্ৰুৱজ্যোতি বৰা, দীপক কুমাৰ বৰা, শিল্পী বিমল ডেকা, ৰঞ্জিত কুমাৰ দত্ত, কানু কন্দলী, কবি সঞ্জীৱ সাগৰ চৌধুৰী, দ্বীজেন্দ্ৰ নাথ হাজৰিকা, সংগীত শিল্পী তৰুণ শইকীয়া, অভিজিৎ ৰাগ, দ্বীপশ্বন বৰুৱা, সাংবাদিক জয়ন্ত মুদৈ, চন্দনজ্যোতি বৰা, প্ৰাঞ্জল বৰদলৈ, অভিনেতা ভূবন চন্দ্ৰ নাথ, সাহিত্যকৰ্মী কবিন পাটৰকে প্ৰমুখ্য কৰি পাঁচ শতাধিক লোক উপস্থিত থাকে।

## ছাত্ৰীক নিৰ্যাতন চলাই ৰঙাঘৰলৈ লম্পট যুৱক

**ই-সংবাদ, মোৰাঝাৰ, ৯ মাৰ্চঃ** হোজাইৰ মোৰাঝাৰত কলেজীয়া ছাত্ৰীক জোকাই ৰঙাঘৰৰ আলহী হ'ল এগৰাকী লম্পট যুৱক। অভিযোগ অনুসৰি দুদিন পূৰ্বে যুৱকজনে ডবকা হাজী আনফৰ আলী কলেজৰ এগৰাকী কলেজীয়া ছাত্ৰীক কলেজলৈ গৈ থকা অৱস্থাতে বাট আগছি ধৰি নিৰ্যাতন চলাইছিল। এই ঘটনা পোহৰলৈ অহাৰ পাছতে সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি হৈছিল। দল-সংগঠনে ছাত্ৰীগৰাকীক ন্যায় প্ৰদানৰ দাবী জনাইছিল। অৱশেষত ছাত্ৰীগৰাকীক বাটত সাৱটি ধৰি গোপন অংগত হাত দিয়াৰ অভিযোগ তুলি ভুক্তভোগীয়ে মোৰাঝাৰ থানাত অভিযোগ দাখিল কৰিছিল। ভুক্তভোগীৰ এই অভিযোগত মোৰাঝাৰ আৰক্ষীয়ে লম্পট যুৱকজনক আটক কৰি ৩৪/২৫ নম্বৰৰ এটা গোচৰ ৰুজু কৰি মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বাইহাৰ ৰাৱাটে আজি আদালতত হাজিৰ কৰি যুৱকজনক জে'ললৈ প্ৰেৰণ কৰে। অভিযুক্ত ৰিজৱান আহমেদ নামৰ ২১ বছৰীয়া যুৱকজনৰ ঘৰ নীলবাগানৰ মেধিগাঁওত বুলি জানিব পৰা গৈছে। আৰক্ষী বিষয়াগৰাকীয়ে এনে ঘটনা যাতে পুনৰ নহয় তাৰবাবে আইনগতভাৱে শাস্তি বিহা হ'ব বুলি সাংবাদিকক জানিবলৈ দিছে।

## ব্ৰহ্মপুত্ৰৰ বালিচৰত তৰমুজ খেতিৰে স্বাৱলম্বী কামৰূপৰ মনোজ



**ই-সংবাদ, গুৱালকুছি, ৯ মাৰ্চঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ বালিচৰৰ প্ৰায় ৬০ বিঘা ভূমিত তৰমুজৰ খেতি কৰি স্বাৱলম্বিতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে উচ্চশিক্ষিত যুৱক কামৰূপৰ হালোগাওঁৰ মনোজ কলিতাই। স্নাতকোত্তৰ উত্তীৰ্ণ কামৰূপৰ হালোগাঁৰৰ মনোজ কলিতাই ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰত প্ৰায় ৬০ বিঘা বালিচৰত আৰম্ভ কৰা তৰমুজ খেতিয়ে আশাৰ বতৰা কঢ়িয়াই আনিছে। কিয়নো চাপৰিৰ বালিচৰত প্ৰায় ৬০ বিঘা ভূমিত কৰা তৰমুজ লমালমে লাগিছে। এটা তৰমুজৰ ওজন প্ৰায় পাঁচ-ছয় কিলোপৰ্যন্ত হৈছে। ৰমজান মাহৰ বাবে বজাৰত তৰমুজৰ চাহিদা বৃদ্ধি পোৱাত মনোজ বৰ্তমান তৰমুজ চিঙাত ব্যস্ত হৈ পৰিছে। কুইন্টলে কুইন্টলে উৎপাদিত তৰমুজ চিঙি মনোজ কলিতাই নিজেই গুৱাহাটীৰ ফাঁচি বজাৰলৈ নিয়ে। তাৰ পৰাই মনোজ কলিতাৰ খেতিৰ তৰমুজ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্যলৈ ৰপ্তানি হয়। উল্লেখ্য, আজিলৈকে কৃষি বিভাগৰ সহায়ৰ অবিহনেই বিগত ১২ বছৰে তৰমুজ খেতিৰ লগত জড়িত হৈ নিজৰ লগতে আন ১০ জনকো স্বাৱলম্বিতাৰ পথ দেখুৱাইছে মনোজ কলিতাই। আনকি মনোজ কলিতাৰ বাসগৃহৰপৰাই নিতৌ গ্ৰাহকে ক্ৰয় কৰিছে তৰমুজ। যি সময়ত অসমৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে এটা চৰকাৰী চাকৰি বিচাৰি হাঁহাকাৰ কৰিছে, তেনে সময়তে শিক্ষিত তথা আদৰ্শ কৃষক মনোজ কলিতাই কৃষিকৰ্ম আৰু উৎপাদনমুখী চিন্তাৰে নিবনুৱাক স্বাৱলম্বী হোৱাৰ এক সোণোৱালী পথ দেখুৱাইছে।

# পৰম্পৰা! মায়ামৰা বগৰীতলীয়া, দিনজয় সত্ৰত দুই শতাধিকে ল'লে শৰণ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ মাৰ্চঃ** আদিগুৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে প্ৰতিষ্ঠা কৰা মায়ামৰা বৈষ্ণৱ ধৰ্মৰ কেইবাখনো সত্ৰ অৱস্থিত চাবুৱা-লাহোৱাল অঞ্চলত। ইয়াৰে মায়ামৰা ধৰ্মৰ প্ৰধান সত্ৰখন হৈছে দিনজয় সত্ৰ। বগৰীতলীয়া সত্ৰ, গড়পৰা সত্ৰ, মদাৰখাত সত্ৰ, মৰিছা আলহী সত্ৰ আদি সত্ৰত বছৰটোৰ শেষৰফালে বিভিন্ন জাতি-জনগোষ্ঠী তথা ভাষা-ভাষী লোকে সত্ৰাধিকাৰসকলৰ ওচৰত শৰণ লৈ নিজকে ধৰ্মীয়ভাৱে গুৰুমুখী হোৱা দেখা যায়। এনে পৰম্পৰা ৰক্ষা কৰি বিগত দুটা দিনত মায়ামৰা বগৰীতলী সত্ৰ আৰু দিনজয় সত্ৰত শৰণ লয় কেইবাখনো গাঁৱৰ ভক্তিপ্ৰাণ ৰাইজে। বগৰীতলীয়া সত্ৰত মুদৈ গঞা শালত শুকুৰবাৰে নিজ চাবুৱা নতুন গাঁৱৰ নামঘৰৰ ২৯ গৰাকী পুৰুষ আৰু ৩২ গৰাকী মহিলাই সত্ৰাধিকাৰৰ অধীনত শৰণ লয়। শনিবাৰে দিনজয় সত্ৰত ৰহমৰীয়াৰ হাঁহৰীয়াল গাঁৱৰ ২৬ গৰাকী পুৰুষ আৰু ২৬ গৰাকী মহিলাই শৰণ লয়। গোৱালচুক গাঁৱৰ পুৰুষ ৪৪ গৰাকী, মহিলা ৪৪ গৰাকী



আৰু ভাটি মাইজান গাঁৱৰ ২৩ গৰাকী পুৰুষ আৰু ২৪ গৰাকী মহিলায়ে অৰ্থাৎ একেদিনাই সৰ্বমুঠ ১৮৭ গৰাকীয়ে দিনজয় সত্ৰৰ সত্ৰাধিকাৰ মুকুন্দা নন্দ গোস্বামীৰ অধীনত শৰণ লয়। এই শৰণপৰ্ব সম্পন্ন কৰাৰ পূৰ্বে প্ৰতিজন পুৰুষে মুণ্ডন কৰি সত্ৰাধিকাৰৰ আজ্ঞামতে সত্ৰৰ বৰপুখুৰীত তিনি বুৰ মাৰি বৰনামঘৰত সস্ত্ৰাঙ্গে সেৱা জনাই ঈশ্বৰৰ সহস্ৰ নামৰ একোটি নাম গ্ৰহণ কৰে। এই প্ৰক্ৰিয়াত মহিলাসকলে পুখুৰীত বুৰ নামাৰে আৰু সত্ৰাধিকাৰৰ পৰা নাম নাপায়। মহিলাসকলে মাৰ্কিন কাপোৰে কোনো গাঁঠি নিদিয়াকৈ সৰ্বশৰীৰৰ আৱোৰত ৰাখি পুৰুষৰ দৰে সেৱা কৰে সত্ৰাধিকাৰক। এনেদৰে শৰণ গ্ৰহণ কৰাৰ পিছতে নিজ নিজ গাঁৱৰ নামঘৰত সমূহীয়াভাৱে 'নাম-জাননী' অনুষ্ঠিত কৰা হয়। গাঁৱৰ জ্যেষ্ঠ ভকত বা ৰাইজক গুৰুপ্ৰদত্ত নামসমূহ প্ৰতিজনে ৰাজহুৱাকৈ প্ৰকাশ কৰি ধৰ্মীয় সমাজখনৰ সৈতে একাত্ম হয়।

## চতিয়াত গাঞ্জাসহ দুই সৰবৰাহকাৰীক আটক



**ই-সংবাদ, চতিয়া, ৯ মাৰ্চঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ নাগশংকৰত আজি এখন যাত্ৰীবাহী গাড়ীত অভিযান চলাই চতিয়া আৰক্ষীয়ে গাঞ্জাসহ আটক কৰে দুই সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী দুটাৰ নাম প্ৰেম ওৱাং আৰু বিশ্বজিত ৰাজগড় বুলি জানিব পৰা গৈছে। গাঞ্জাখিনি ওদালগুৰিৰপৰা বিশ্বনাথ চাৰিআলিলৈ কঢ়িয়াই অনাৰ সময়তে চতিয়া আৰক্ষীৰ জালত পৰে সৰবৰাহকাৰী দুটা। চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ত্ৰিলোচন দাসৰ নেতৃত্বত চলিছিল এই অভিযান।

## নাজিৰাৰ আঞ্চলিক লেখিকা সমাজৰ নাৰী দিৱস উদযাপন

**ই-সংবাদ, গেলেকী, ৯ মাৰ্চঃ** নাজিৰা আঞ্চলিক লেখিকা সমাজৰ উদ্যোগত মাদুৰি নাট্য মন্দিৰ আৰু চিৰসেউজীয়া সমাজৰ সহযোগত মাদুৰি নাট্য মন্দিৰত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱাই বন্তি প্ৰজ্বলন আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ পিছতেই মহিলা আৰু সখীয়তিসকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কবিতা আবৃত্তি প্ৰতিযোগিতাত ৰূপজ্যোতি ভূঞা শইকীয়াই প্ৰথম, ৰুমী চাংমাই বৰুৱাই দ্বিতীয়, যোগদা মহন্ত আৰু মামু পাটৰে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। সখীয়তি শাখাত অৰ্কিড চেতিয়াই প্ৰথম, শ্ৰুতিকা কোঁৱৰে দ্বিতীয় আৰু ময়ূৰী বৰগোহাঁয়ে তৃতীয় স্থান লাভ কৰে। ইয়াৰ পিছতে বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিলীপ ফুকনৰ সঞ্চালনাত দিনৰ ভাগত আয়োজিত নাৰীৰ সম অধিকাৰ আৰু স্বাৱলম্বিতা শীৰ্ষক আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে মাদুৰি উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীযুতা মেঘালি গগৈ, সহঃ আলোচক হিচাপে থাকে যোগদা মহন্ত, ৰূপজ্যোতি ভূঞা শইকীয়া, মনীষা শইকীয়া আৰু দীপা মহন্ত। আজিৰ সভাতেই কবি, সাহিত্যিক দীপা মহন্তৰ মন যমুনাৰ লহৰ নামেৰে এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে দীপালী স্বৰ্গীয়াৰী বৰুৱাই। তদুপৰি পুণ্য বৰুৱা বৰগোহাঁই আৰু পুষ্পা ৰাজকুমাৰী নামেৰে দুগৰাকী বয়োজ্যেষ্ঠ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়।তদুপৰি আঞ্চলিকৰ সক্ৰিয় সদস্যাসকলক তেওঁলোকৰ কৰ্মোদ্যমৰ বাবে প্ৰশংসা-পত্ৰ প্ৰদান কৰা হয়। বিয়লি সখীয়তি লৰিয়লিসকলৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। শ্ৰীৱালী বৰগোহাঁই, কাকলি বৰগোহাঁইৰ গীত, শ্ৰুতিকা বৰগোহাঁই, শ্ৰুতিকা কোঁৱৰ, অৰ্কিড চেতিয়াৰ নৃত্যই সকলোকে মোহিত কৰে। অৰ্কিড চেতিয়াই চকু বান্ধি কিতাপ পঢ়া, যিকোনো ৰং চিনাক্ত কৰা, যিকোনো নোটৰ গোন্ধ লৈ চিৰিয়েল নম্বৰ ক'ব পৰাৰ দৰে এক অদ্ভুত কলা প্ৰদৰ্শন কৰে। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে লেখিকা সমাজৰ সম্পাদিকা ৰুমী চাংমাইয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# ৰঙিয়াৰ প্ৰেগমেটিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ টেলেণ্ট মন্থন কাৰ্যসূচীৰ বঁটাপ্ৰদান অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ৯ মাৰ্চঃ** ৰঙিয়াৰ অগ্ৰণী বেচৰকাৰী শিক্ষানুষ্ঠান প্ৰেগমেটিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উদ্যোগত আয়োজিত টেলেণ্ট মন্থন কাৰ্যসূচীৰ বঁটাপ্ৰদান অনুষ্ঠান আজি অনুষ্ঠিত কৰা হয়। তদুপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ দিপজ্যোতি বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে শিক্ষাবিদ তথা ডনবস্কো বিশ্ববিদ্যালয়ৰ সঞ্চালক ডঃ মনোৰঞ্জন কলিতাই। ভাষণ প্ৰসংগত কলিতাই কয় যে সাম্প্ৰতিক সময়ত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সফলতাই শিক্ষা-সাহিত্য-সংস্কৃতিকে ধৰি সৰ্বদিশত প্ৰভাৱ বিস্তাৰ কৰিছে। এনে এক প্ৰেক্ষাপটত ছাত্ৰ-ছাত্ৰীৰ আত্ম-নিয়োজনৰ ইঙ্গিত লক্ষ্যত কলাত্মক শিক্ষাৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। লগতে তেওঁ কয় যে সাম্প্ৰতিক সময়ত শিক্ষা ব্যৱস্থা যথেষ্ট সৰল আৰু সুলভ হৈ পৰিছে। বিদ্যায়তনিক দিশৰ লগতে সংগীত, অভিনয়, নৃত্যকে ধৰি বিভিন্ন কলাৰ চৰ্চাৰেও উদ্ভাষিত হোৱাত সহায়ক হৈছে। তেনেদৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নত প্ৰয়োগৰ ফলতো পূৰ্বৰ দৰে ছাত্ৰ-ছাত্ৰীসকলে আত্ম-নিয়োজনৰ বাবে চিন্তিত হ'বলগা হোৱা নাই। ভাষণ প্ৰসংগত নতুনকৈ প্ৰয়োগ কৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ইতিবাচক দিশসমূহৰো আলোকপাত কৰে ডঃ কলিতাই।আনহাতে, উক্ত সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক প্ৰকাশ ডেকাই কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃতাৰ্থত প্ৰতিভা বিকশিত হ'বলৈ হ'লে এক পৰিকল্পিত শৈক্ষিক পৰিৱেশৰ লগতে সাধনাৰ প্ৰয়োজন আছে। ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাই পিতৃ-মাতৃৰ লগতে সমাজ সচেতন ব্যক্তিকো এক বিমল আনন্দ দিয়ে বুলি মন্তব্য কৰে সাংবাদিক প্ৰকাশ ডেকাই। বিদ্যালয়খনৰ পৰিচালন সঞ্চালক অনিল দত্তই বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰা কাৰ্যসূচীত কামৰূপ জিলাৰ ভিন্ন প্ৰান্তৰপৰা অংশগ্ৰহণ কৰা টেলেণ্ট মন্থন অনলাইন প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীসকলক বঁটা প্ৰদানৰ লগতে নগদ ধনৰে পুৰস্কৃতও কৰা হয়। টেলেণ্ট মন্থন প্ৰতিযোগিতাত ৰঙিয়াৰ শংকৰদেৱ শিশু নিকেতনৰ হেমভপ্ৰাণ কলিতাই প্ৰথম, আম্বেদকাৰ ল'টাছ ইংলিছ স্কুলৰ চেতন দাসে দ্বিতীয় আৰু পি বি কনিহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৰ্মাই তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। ৩৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০৩ গৰাকী কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক নগদ ধন আৰু দুবছৰলৈ ফেল'শ্বিপ প্ৰদান কৰা হয় আনহাতে, উক্ত সভাতে বিদ্যালয়খনত অধ্যয়নৰত প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকলক বৰ্ষকালীন ফেল'শ্বিপ প্ৰদানৰো ঘোষণা কৰাত উৎফুল্লিত হয় ছাত্ৰ-ছাত্ৰীসকল। ৰঙিয়াৰ ভিন্ন প্ৰান্তৰপৰা সমৱেত কেবাশ অভিভাৱক, ছাত্ৰ-ছাত্ৰী তথা শিক্ষানুৰাগী ৰাইজক বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰীয়ে সংগীতানুষ্ঠান পৰিৱেশনৰে আপ্লুত কৰে।

## আমনিত পথ দুৰ্ঘটনাত নিহত ১

**ই-সংবাদ, পুৰণিগুদাম, ৯ মাৰ্চঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত আমনিৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত এক পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহী থিতাতে নিহত হয়। নিহত লোকজন হৈছে শিয়ালখাইটিৰ বাবুল দে' (৭২)। প্ৰাপ্ত খবৰ মতে, আজি বিয়লি উজনিৰপৰা গুৱাহাটী অভিমুখী এ-এছ- ২৩- চি- চি- ৭৬২০ নম্বৰৰ যাত্ৰীবাহী বাছখনে চাইকেল আৰোহী বাবুল দে'ক মহতিয়াই নিয়ে। গুৰুতৰভাৱে আহত লোকজনক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও বাবুল দে'ৰ মৃত্যু হয় বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। চামগুৰি আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা বাছখন ইতিমধ্যে জব্দ কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## নৱজ্যোতি ডেকালৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, হাজো, ৯ মাৰ্চঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া ভঠেলিখোলাত আজি প্ৰয়াত নৱজ্যোতি ডেকাক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। যোৱা ৭ মাৰ্চৰ নিশা এক শোকাৱহ পথ দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যুক আকোঁৱালি লৈছিল এইগৰাকী প্ৰচুৰ প্ৰতিভাৱান যুৱকে। অতি নম্ৰ, অমায়িক নৱজ্যোতি ডেকাৰ মৃত্যুত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছিল সমগ্ৰ হাজো অঞ্চলত। এটা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ সৈতে জড়িত নৱজ্যোতিয়ে কৰিছিল সুন্দৰ অভিনয়, নিৰ্মাণ কৰিছিল বহুকেইখন চুটি ছবি। ফটোগ্ৰাফী আৰু সাংস্কৃতিক জগতখনতো নৱজ্যোতি আছিল অতি নিপুণ। নৱজ্যোতিক অকালতে হেৰুৱাই দুখত ম্ৰিয়মান নৱজ্যোতিৰ বন্ধুবৰ্গ আত্মীয়-স্বজন। মৰমৰ নৱজ্যোতিক শ্ৰদ্ধাঞ্জলি জনাবলৈ আজি সন্ধিয়া ৰামদিয়া ভঠেলিখোলাত আয়োজন কৰা হয় ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। এই অনুষ্ঠানত ৰামদিয়াৰ



দল-সংগঠনৰ লগতে ব্যক্তিবিশেষে নৱজ্যোতি ডেকাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰাৰ লগতে ৩৪ গছি বন্তি প্ৰজ্বলন কৰে। আনহাতে দুৰ্ঘটনা সংঘটিত হোৱা স্থানতো বন্তি প্ৰজ্বলন কৰি আত্মাৰ চিৰশান্তি কামনা কৰে কৰে নৱজ্যোতিৰ বন্ধুবৰ্গয়ে।

# ভৱানীপুৰ শতদল সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ৯ মাৰ্চঃ** ভৱানীপুৰ শতদল সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা ৮ বজাত সাহিত্য অনুৰাগীসকলৰ দ্বাৰা পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৯ বজাত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ভৱানীপুৰ শতদল সাহিত্য সভাৰ সভাপতি ৰবীন দাসে, ৯.১৫ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে ভৱানীপুৰ শতদল সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ চৌধুৰীয়ে। ১০.৩০ বজাত অনুষ্ঠিত হয় প্ৰতিনিধি আৰু বিষয়বাচনি সভা। ভৱানীপুৰ শতদল সাহিত্য সভাৰ সভাপতি ৰবীন দাসৰ সভাপতিত্ব অনুষ্ঠিত উক্ত সভাতে পুৰণি সমিতিখন ভংগ কৰি আগন্তুক ২০২৫-২৬ আৰু ২৭ বৰ্ষ কাৰ্যকালৰ বাবে হিতেন্দ্ৰ নাথ ডেকাক সভাপতি আৰু টিকেন্দ্ৰজিৎ ডেকাক সম্পাদক পদত মনোনীত কৰি পোন্ধৰজনীয়া কাৰ্যনিৰ্বাহ সমিতি এখন গঠন কৰা হয়। দুপৰীয়া ১২ বজাত অনুষ্ঠিত হয় মুকলি সভা। ভৱানীপুৰ শতদল সাহিত্য সভাৰ সভাপতি ৰবীন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° প্ৰীতি ৰেখা দত্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰি উৎসাহিত কৰিলেও প্ৰতিগৰাকী অসমীয়াৰ আদৰতহে ভাষাটোৰ সুস্থ-সবলতা নিৰ্ভৰ কৰিব বুলি গুৰুত্বপূৰ্ণ আৰু তত্বগধুৰ মন্তব্য কৰে। ভৱানীপুৰ শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত উক্ত সভাখনত বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামকৃষ্ণ তালুকদাৰ, ভৱানীপুৰ শতদল সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলেন্দ্ৰ নাথ দাস, বিৰিঞ্চি কুমাৰ চৌধুৰী, ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ টুটুন চন্দ্ৰ দাস, ভৱানীপুৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ৰন্টু কুমাৰ দাস, লেখক প্ৰশান্ত কুমাৰ দাস, সঞ্জীৱ সাগৰ দাসকে ধৰি ভালেকেইগৰাকী বিশিষ্ট লোক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সন্ধিয়া ৫ বজাত পতাকা অৱনমিত আৰু বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# বাঘমাৰাত কাঠসহ অবৈধ মিল জব্দ



**ই-সংবাদ, শিমলীতোলা, ৯ মাৰ্চঃ** গোৱালপাৰা জিলা বন বিষয়া তেজস মাৰিস্বামীৰ নিৰ্দেশমৰ্মে গোৱালপাৰা, কৃষ্ণই, ৰংজুলি আঞ্চলিক বন বিষয়াই যৌথভাৱে ৰাতিপুৱা প্ৰায় ৯ বজাত অভিযান চলাই বৰপেটা জিলাৰ সমীপত শিমলিতোলাৰ জলজলী নদীৰ কাষৰ গোৱালপাৰাৰ সীমান্তৱৰ্তী বৰপেটাৰ চৰাঞ্চলৰপৰা এটা অবৈধ কাঠফলা মিল উচ্ছেদ কৰে। উচ্ছেদৰ সময়ছোৱাত এটা কাঠফলা মেচিন, এটা ঘৰ, পাৱাৰ পাম্পৰ লগতে শাল, চেগুন, গমাৰী আৰু ননশাল কাঠসহ প্ৰায় ৬-৭ লাখ টকাৰ আনুমানিক ৪০০-৫০০ কেফি কাঠ আৰু আন সামগ্ৰী জব্দ কৰি লৈ যায়। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বন বিষয়াই কয় যে উক্ত ঠাইত বহুদিনৰেপৰা অবৈধভাৱে কাঠফলা মিল চলাই অহাৰ অভিযোগ উত্থাপন হৈ অহাৰ ফলত গোপনভাৱে খবৰ লৈ নিশ্চিত হোৱাত আজি আকস্মিকভাৱে বন বিভাগে অভিযান চলাই অবৈধ কাঠফলা মিল উচ্ছেদ কৰে। অবৈধ কাঠ মিলটো কাৰ এতিয়ালৈকে জানিব পৰা হোৱা নাই। অবৈধ কাঠ মিলৰ গৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হ'ব নেকি বুলি সাংবাদিকে প্ৰশ্ন কৰাত বিষয়াজনে পৰৱৰ্তী সময়ত জিলা বন বিষয়াৰ লগত আলোচনা মৰ্মে সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰে। লগতে বন বিভাগৰ দলে অতি সোনকালে আন আন অবৈধ মিলসমূহো জব্দ কৰাৰ কথা ব্যক্ত কৰাৰ লগতে অনাগত দিনত এই অভিযান চলি থাকিব বুলি উল্লেখ কৰে।

# মাধপুৰত চুলাই মদ, বাল্য বিবাহৰ সন্দৰ্ভত সজাগতা সভা

**ই-সংবাদ, তিতাবৰ, ৯ মাৰ্চঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ উদ্যোগত মাধপুৰত আজি এক সজাগতা সভা অনুষ্ঠিত হয়। গাঁওসমূহত দিনকদিনে বৃদ্ধি হোৱা অবৈধ চুলাই মদৰ প্ৰচলনে যুৱপ্ৰজন্মক কোঙা কৰি আহিছে। দৈনন্দিন মাৰাত্মক চুলাই মদ সেৱন কৰাৰ ফলত মাধপুৰ অঞ্চলত কেইবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ লগতে কেইবাজনো যুৱকে অকাল মৃত্যুক আঁকোৱালি লোৱাৰ খবৰ আহিছে। যাৰবাবে আজি মাধপুৰ ছোৱালী হাইস্কুলৰ খেলপথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত মাধপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নবীন মিলি, বীৰ লাচিত সেনাৰ যোৰহাট জিলাৰ সচিব চানি ৰাজখোৱা, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়া, মাধপুৰ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী প্ৰিয়ংকা ফুকন, সাংবাদিক প্ৰকাশ বৰা, আদিকে ধৰি বহুসংখ্যক ৰাইজ আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ আহ্বানে ক্ৰমে বিমল বাৰলুৱে আঁতধৰা অনুষ্ঠিতিত চুলাই মদ আৰু বাল্য বিবাহ ৰুদ্ধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গাঁৱৰ ৰাইজ তথা মহিলাসকলৰ সহযোগত চুলাই মদৰ ঘাটিসমূহ উচ্ছেদ কৰাৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে মাধপুৰ আৰক্ষী বিষয়াগৰাকীয়ে। তিতাবৰ আবকাৰী বিভাগে সময়ে সময়ে ৰাইজক দেখুৱাই মদৰ ঘাটিসমূহ উচ্ছেদ কৰে, যদিও বাস্তৱতে যেনেধৰণে পদক্ষেপ ল'ব লাগিছিল তেনে পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। যাৰবাবে উক্ত অঞ্চলত মদৰ বাবে হত্যাকাণ্ড, দুৰ্ঘটনা আৰু কেইবাজনো ডেকা যুৱকৰ অকাল বিয়োগৰ দৰে ঘটনা সংঘটিত হৈ আহিছে। আজিৰ ৰাজহুৱা সভাই অবৈধ চুলাই মদৰ ঘাটিসমূহ অতিশীঘ্ৰে উচ্ছেদৰ বাবে তিতাবৰ সমজিলা আৰু আবকাৰী বিভাগলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# কলগাছিয়াত ড্ৰাগছসহ আটক এক

**ই-সংবাদ, কলগাছিয়া, ৯ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আদিতপুৰত কলগাছিয়া আৰক্ষীয়ে অভিযান চলাই ২০ গ্ৰাম ড্ৰাগছৰ পেকেটসহ আছাদুল ইছলাম নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে দীৰ্ঘদিনৰপৰা আছাদুল ইছলামে ড্ৰাগছ সেৱন আৰু ড্ৰাগছৰ ব্যৱসায়ৰ লগত জড়িত হৈ আছিল। আৰক্ষীয়ে হাতেলোটে আটক কৰিবলৈ সক্ষম হোৱা নাছিল যদিও গোপন অভিযান অব্যাহত আছিল। সেয়ে গোপন সূত্ৰৰ পম খেদি কলগাছিয়া আৰক্ষীয়ে আছদুল ইছলামৰ ঘৰত অভিযান চলায়। আনহাতে, ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ পূৰ্বে আছাদুলৰ ঘৰত ড্ৰাগছৰ ব্যৱসায় চলাই থকা বুলি খবৰ পাই একাংশ লোকে ঘৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে যদিও আছাদুলৰ পত্নীয়ে বাধা দিয়ে। ফলত ৰাইজ আৰু ড্ৰাগছৰ ব্যৱসায়ী আছাদুলক ৰক্ষণাবেক্ষণ দিবলৈ চেষ্টা চলোৱা পত্নীৰ সৈতে কাজিয়াৰ সৃষ্টি হয়। পিছে ঘৰখনত আৰক্ষী উপস্থিত হৈ তদন্ত চলোৱাত ২০ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰিবলৈ



সক্ষম হয়। ঘটনাস্থলীৰপৰা আৰক্ষীয়ে আছাদুলক গ্ৰেপ্তাৰ কৰে যদিও আছাদুলৰ পত্নীক ৰাইজৰ মাজৰ তিনিজন যুৱকে মাৰপিট কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে। ৰাইজৰ আক্ৰমণত আছাদুলৰ পত্নী আহত হৈছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। দীৰ্ঘদিন ধৰি আছাদুল ইছলামে ড্ৰাগছৰ ব্যৱসায় চলাই অঞ্চলটোৰ যুৱপ্ৰজন্মক ধ্বংসৰ পথলৈ ঠেলি দিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰি ড্ৰাগছ সেৱনকাৰী আৰু ইয়াৰ ব্যৱসায়ৰ লগত জড়িত থকাসকলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# কলগাছিয়াৰ শোলমাৰীত এজন নিৰুদ্দেশ

**ই-সংবাদ, কলগাছিয়া, ৯ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত শোলমাৰী গাঁৱত হাছেন আলী নামৰ এজন লোক যোৱা শনিবাৰ পুৱা ৭ বজাৰপৰা নিৰুদ্দেশ হৈ থকা ঘটনাত অঞ্চলব্যাপী তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, শোলমাৰী গাঁৱৰ হাবেজ শেখৰ পুত্ৰ হাছেন আলী (৪২) শনিবাৰে ৰাতিপুৱা ঘৰৰপৰা ওলাই গৈছিল যদিও আজিলৈ নিজ গৃহলৈ উভতি অহা নাই। পৰিয়ালৰ লোকে আত্মীয়ৰ ঘৰত খবৰ কৰাৰ লগতে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও কোনো সন্ধান উলিয়াব পৰা নাই। লোকজনে ঘৰত পত্নী আৰু পুত্ৰ সন্তানক এৰি সন্ধানহীন হোৱাত কান্দোনত ভাঙি পৰিছে পুত্ৰ আৰু পত্নী। উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে কলগাছিয়া আৰক্ষী থানাত নিৰুদ্দেশ সম্পৰ্কে এখন এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীয়েও মানুহজনৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। মানুহজনক কোনো লোকে বিচাৰি পালে কলগাছিয়া আৰক্ষী থানা আৰু পৰিয়ালৰ 7002124028 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। মানুহজন সামান্য পৰিমাণে মানসিক ৰোগত আক্ৰান্ত আছিল বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়াৰ লগতে কোনো দুষ্ট চক্ৰৰ কবলত পৰিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। সেয়ে মানুহজনক বিচাৰি উলিয়াবৰ বাবে আৰক্ষীকো কাতৰ আহ্বান জনাইছে পৰিয়ালে।

# তলাতল কাপ ভলীবলত এএছইবিৰ জয়

**ই-সংবাদ, শিৱসাগৰ, ৯ মাৰ্চঃ** শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ চৌহদত দুদিনীয়াকৈ অনুষ্ঠিত কৰা অকন বৰুৱা সোঁৱৰণী প্ৰথম তলাতল কাপ-২৫ প্ৰাইজমাণি দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখন যোৱা নিশা সামৰণি পৰে। সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা ভলীবল প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনত বিজয়ী খিতাপ লাভ কৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দল (এএছইবি)য়ে। চূড়ান্ত খেলত এএছইবিয়ে সৰভোগ দলক ২৫-১৫, ২৫-২০, ২৫-১৮ গেমত পৰাস্ত কৰি বিজয়ী সন্মান লাভ কৰে। বিজয়ী আৰু ৰাণাছাপ দুয়োটা দলকে নগদ ধন আৰু ট্ৰফী আগবঢ়োৱা হয়। সহস্ৰাধিক দৰ্শকে উপভোগ কৰা আকৰ্ষণীয় খেলখনত এএছইবিৰ দয়াল বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। শ্ৰেষ্ঠ লিবেৰ সন্মান লাভ কৰে সৰভোগৰ প্ৰশান্ত ভূঞাই। বিশিষ্ট শিক্ষাবিদ, শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপক অকন বৰুৱাৰ সোঁৱৰণীত অনুষ্ঠিত কৰা ভলীবল প্ৰতিযোগিতাখনত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আগশাৰী দলসমূহে অংশগ্ৰহণ কৰিছিল। পুৰস্কাৰ বিতৰণী অনুষ্ঠানত জিলা বন বিষয়া কুশল ডেকা, আটাচুৰ সভাপতি বসন্ত গগৈ, সদৌ অসম ভলীবল সন্থাৰ একাধিক বিষয়ববীয়াসহ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। লক্ষ্যণীয় যে খেলখনত ভিন্ন প্ৰান্তৰ ভলীবল দল সমূহৰ লগতে দৰ্শক তথা ৰাইজে বিপুল সঁহাৰি জনোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰে এই অকন বৰুৱাৰ সোঁৱৰণীত ভলীবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় উদ্যোগক্তাসকলে।



আশাহত! চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত ১ ৰান কৰি পেভিলিয়নমুখী বিৰাট কোহলি




পৰিশ্ৰমৰ মিঠা সোৱাদ! হাতত চেম্পিয়নছ ট্ৰফী লৈ আনন্দত আত্মহাৰা টিম ইণ্ডিয়া

## চেম্পিয়নছ ট্ৰফীৰ খিতাপ দখলৰ পিছতে তুংগত জল্পনা-কল্পনা

# কেপ্টেইন ৰোহিতৰ অৱসৰক লৈ বৈঠক মুখ্য নিৰ্বাচক আগৰকাৰৰ

**নতুন দিল্লী, ৯ মাৰ্চঃ** ৰোহিত শৰ্মাৰ এদিনীয়া ভৱিষ্যতক লৈ চৰ্চা চলিছে। চেম্পিয়নছ ট্ৰফীৰ ঠিক পিছতেই ভাৰতীয় অধিনায়কগৰাকীয়ে এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ল'ব নেকি? ক্ৰিকেট জগতত চলি আছে উত্তপ্ত আলোচনা। বিশেষকৈ ফাইনেলৰ আগদিনা প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় আৰু ৰোহিত শৰ্মাই সংবাদমেলত উপস্থিত নোহোৱাৰ বাবে এই সম্ভাবনা আৰু অধিক শক্তিশালী হৈ পৰিছে। টি-২০ বিশ্বকাপ জয় কৰাৰ পাছত ৰোহিত আৰু বিৰাট কোহলীয়ে চুটি ফৰ্মেটৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ পাছত ভাৰতৰ বাবে অষ্ট্ৰেলিয়া ভ্ৰমণ ভাল নহ'ল। তেতিয়াৰ পৰাই ৰোহিতৰ টেষ্টৰ ভৱিষ্যতক লৈ চৰ্চা চলিছে। সেই আলোচনা চেম্পিয়নছ ট্ৰফীৰ সময়ত শিখৰত উপনীত হৈছিল। প্ৰথম অৱস্থাত শুনা গৈছিল যে তেওঁ অধিনায়ক পদৰ পৰাহে পদত্যাগ কৰিব পাৰে। পিছত গম পোৱা গ'ল যে এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ সম্ভাৱনা আছে। কিন্তু চেম্পিয়নছ ট্ৰফীৰ পিছত এই সিদ্ধান্ত কাৰ্যকৰী হ'বনে? সূত্ৰ অনুসৰি তাৎক্ষণিক অৱসৰৰ সম্ভাৱনা কম। যদি ভাৰতে ফাইনেলত পৰাস্ত হ'লহেঁতেন তেন্তে চাপ বাঢ়ি গ'লহেঁতেন, কিন্তু এতিয়াই কোনো খৰখেদাকৈ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা নাই যেন লাগে। কোৱা হৈছে যে প্ৰতিযোগিতাখনৰ অন্তত ৰোহিতে মুখ্য নিৰ্বাচক অজিত আগৰকাৰৰ সৈতে আলোচনাত মিলিত হ'ব। সেই বৈঠকতে তেওঁৰ ভৱিষ্যতৰ চূড়ান্ত সিদ্ধান্ত ল'ব পাৰে। ভাৰতীয় ক্ৰিকেটত ইমান ডাঙৰ নামৰ অধিনায়কৰ অৱসৰৰ ক্ষেত্ৰতো ব'ৰ্ডে সতৰ্ক হ'ব বিচাৰিছে। অৱশ্যে জল্পনা-কল্পনাৰ অন্ত পৰা নাই। মেচৰ পূৰ্বে সংবাদমেলত অংশগ্ৰহণ কৰাটো এই প্ৰশ্নৰ পৰা হাত সাৰিবলৈ কৌশল নহয়নে? শুভমন গিলৰ মন্তব্যৰ লগে লগে এই উৰাবাতৰি আৰু বৃদ্ধি পালে। সংবাদমেলত ৰোহিতৰ ভৱিষ্যতৰ বিষয়ে সোধাত তেওঁ কয় যে চেম্পিয়নছ ট্ৰফীৰ ফাইনেলৰ পিছত ৰোহিতে সিদ্ধান্ত ল'ব। অৰ্থাৎ অৱসৰৰ ঘোষণা যে অনিবাৰ্য, সেয়া অধিক স্পষ্ট হৈ পৰিছে। অৱশ্যে সেই ঘোষণাক লৈ এতিয়াও কোনো স্পষ্ট হোৱা নাই।


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243

ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি